চান্দমামা

জুলাই ১৯৯৩



মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক ।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে 252.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে 252.00

আপোনাৰ বৰঙণি কেৱল ডিমাণ্ড ড্ৰাফ্‌ট্‌ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্বনছে পোৱাকৈ পঠাওক :
চাৰ্কুলেশ্বন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০·০২৬

GET OFF TO A FLYING START *with*



LION
PREMIER® HB PENCILS

Supersmooth for effortless writing. Micronized lead for unbreakable points. Grace the desks of executives and others with style.

LION
PINKY® PENCILS

Perfect classmates. Pretty & Practical. Colourful designs, strongly bonded lead for unbreakable points, give it an edge over the competition.



LION *Gee-flo*® BALLPENS
035 carbine 050 carborite

Tungsten carbide tips.
Made with Swiss technology.
Unbeatable points. Sharp. Smooth. Non-smudging. Race across the page. Choice of red, black and blue refills. Mini-marvels at a marvellous price.

LION PENCILS LTD.
95, Parijat Marine Drive, Bombay 400 002.

BENSON & HEDGES WORLD CUP 1992
OFFICIAL LICENSEE OF THE WORLD CUP

National-766

চান্দমামা

*

জুলাই ১৯৯৩

এই সংখ্যাত আছে

*

জীৱনৰ পৰম বন্ধু	:	৭
বাৰ বাৰ ছয়বাৰ	:	৯
গ্ৰহণ শেষ হ'ল	:	১১
অভিশপ্ত পুষ্প	:	১৭
অসময়ৰ বন্ধু	:	২৫
নগদ নাৰায়ণ	:	৩১
চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩
মুক্তিকামী টকা	:	৩৭
জনাৰ উপায়	:	৪১
বীৰ হনুমান	:	৪৫
ওলোৰনি	:	৫৩
মায়া-চিত্ৰ	:	৫৪
ন্যায়-সুকণ্ডা	:	৬০
বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য	:	৬৩

*



চান্দমামা

মাহৰ-পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে
ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ
৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ
এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,
মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপুৰ.
১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত
ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

পোলিঅ'প্লাছ

শিশুইঁতলৈ
ব্যাধিবিহীন মুক্তজীৱনৰ
সুস্পষ্ট আশ্বাস

কেতিয়া কিমান ছিটা দিব লাগিব

ছিটা কেতিয়াৰপৰা আৰম্ভ কৰিব	ছিটাৰ নাম	ৰোগৰ নাম	কিমান বাৰ দিব লাগিব
জন্মৰলগেলগে	**বি ছি জি**	**যক্ষ্মা**	এবাৰ মাথোন
৬ সপ্তাহ	**পোলিঅ'**	**পোলিঅ'**	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৬ সপ্তাহ	**ডি পি টি**	**ডিপথেৰিয়া** পাৰ্টুছিছ (আজোৰা কাহ) **টেট্যানাছ** (ধনুষ্টংকাৰ)	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৯ মাহ	**মিজলজ**	সৰু আই	এবাৰ মাথোন
জন্মৰ বাৰ মাহৰ ভিতৰতে শিশুক সকলো ধৰণৰ ছিটা সম্পূৰ্ণকৈ দিব লাগিব।			

গৰ্ভৱতীসকলে গৰ্ভধাৰণৰ শেষৰ ফালে দুবাৰ টেট্যানাছ (টি টি) ছিটা লোৱা আৱশ্যক। প্ৰথমবাৰ ছিটা লোৱাৰ এমাহৰ অন্তত দ্বিতীয়বাৰ ল'ব।

সুস্থ শিশু—জাতিৰ আশা আৰু গৌৰৱ

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

জীৱনৰ পৰম বন্ধু

আজিৰ দিনত, বিশেষকৈ ল'ৰা-ছোৱালীহঁতৰ অধ্যয়নৰ অভ্যাসৰ কথা বুদ্ধিজীৱী মহলত বিশেষভাবে আলোচিত হয়। এই বিষয়ে কিছুমান চিত্তাকৰ্ষক তথ্য উলুকিয়াব পাৰি : ভাৰত হ'ল পুস্তক-প্ৰকাশনাত পৃথিৱীৰ অষ্টম বৃহৎ দেশ। অৱশ্যে তাৰ অৰ্থ এয়া নহয় যে ভাৰতবাসীমাত্ৰেই একো একোজন একনিষ্ঠ পঢ়ুৱৈ। ভাৰতীয়সকলে গড়ে বছৰেকত মাত্ৰ ৩৫ পৃষ্ঠাকৈ পঢ়ে, যাৰ সৰ্বমুঠ সংখ্যা হ'ব মাত্ৰ ১০,০০০। শিক্ষিত দেশসমূহত বিতংকৈ অনুসন্ধান তথা তথ্য আহৰণ কৰাৰ অন্তত ইউনেছকো-ই (UNESCO) বছৰকেত কমেও ২০০০ পৃষ্ঠাকৈ (২০০ পৃষ্ঠীয়া ১০ খন কিতাপ) পঢ়িবলৈ চুপাৰিশ কৰিছে। ভাৰতত ১,৩০৭ খন দৈনিক বাতৰি-কাকত, প্ৰায় ৬০০০ সাপ্তাহিক প্ৰকাশিত হয়। কিন্তু এই বিপুল সংখ্যক পত্ৰ-পত্ৰিকা পঢ়েনো কোনে ? শুনি থওক, হাজাৰেপ্ৰতি মাত্ৰ এজনেহে নিয়মিতভাবে দিনো এখনকৈ বাতৰিকাকত পঢ়ে !

আমাৰ ল'ৰা-ছোৱালীহঁতৰ কিতাপ-পঢ়াৰ-অভ্যাসৰ খবৰ কি ? ভাৰতৰ ৭৪০,০০০ বিদ্যালয়ৰ মাজত প্ৰায় ৪০ ভাগৰ লাইব্ৰেৰি আছে আৰু মন কৰিলে সেইবোৰ লাইব্ৰেৰিৰপৰা সিহঁতে সহজেই কিতাপ-পত্ৰ সংগ্ৰহ কৰি অধ্যয়ন কৰিব পাৰে। কিন্তু এই বাবে সিহঁতৰ মাজত 'অধ্যয়নৰ অভ্যাস' কৰোৱা একান্তভাবে প্ৰয়োজন। আৰু—একমাত্ৰ কিতাপেই যে সিহঁতৰ জীৱনৰ পৰম বন্ধু সেই কথাটোও সিহঁতক বুজাই কোৱাৰ এয়েহে প্ৰকৃষ্ট সময় !

বছৰ : ১৮   জুলাই ১৯৯৩   সংখ্যা : ৪

খনে ৪'০০ টকা :: বছৰেকীয়া বৰঙনি ৪৮'০০ টকা



এতিয়া পিডিলাইটৰ তৰফৰ পৰা ৱাটাৰ কালাৰ

পিডিলাইট

ফেভিক্ৰীল®

পিক্সি পেক

লগাবলৈ সহজ হয়, মন হয় স্ফূৰ্তিময়।

A PIDILITE PRODUCT

পৃথিৱীৰ খিৰিকীৰে

বাৰ বাৰ ছয়বাৰ

এবাৰ নহয় দুবাৰ নহয়—ছয়বাৰ। একাদিক্ৰমে ছবাৰ ৰাষ্ট্ৰপতি ৰূপে নিৰ্বাচিত হোৱাটো এক অসাধাৰণ কথা। আৰু—এই অসাধাৰণ কথা সাৰ্থক তথা সম্ভৱ হৈ উঠিছে ইন্‌ডোনে'জিয়াৰ ৰাষ্ট্ৰপতি 'ছুহাৰ্তো'ৰ ক্ষেত্ৰত। ৭২ বছৰীয়া এই অসাধাৰণ ব্যক্তিত্বপূৰ্ণ ব্যক্তিগৰাকী এসময়ত সৈন্যাধ্যক্ষও আছিল। এওঁক ১০০০ সদস্যযুক্ত পৰামৰ্শদাতা সভাই ৰাষ্ট্ৰপতি ৰূপে ষষ্ঠবাৰৰ বাবেও নিৰ্বাচিত কৰিছে—সম্পূৰ্ণ একমত হৈ, বিনা প্ৰতিদ্বন্দ্বিতাৰে।

১৬ শতিকাত পৰ্টুগালৰ বণিজাৰ-হঁতে যেতিয়া এইখন ইন্‌ডোনে'জিয়া দেশৰ ১৩৫০০ দ্বীপৰ কিছুমানত নিগাজী হৈ বহিছিল, তেতিয়াহে পৃথিৱীয়ে এইখন দেশৰ নাম জ্ঞাত হৈছিল। পৰ্টুগিজ বণিজাৰহঁতৰ প্ৰধান আকৰ্ষণ আছিল এইখন দেশত প্ৰচুৰ পৰিমাণে উৎপাদিত 'গৰম মচলা'। কিন্তু পাছত ইংৰাজহঁতে পৰ্টুগিজহঁতক খেদি দিছিল। তাৰ পাছত, ১৫৯৫ চনত ডাচ্চ্‌হঁতে 'ডাচ্চ্ ইস্ট ইণ্ডিয়া কম্প্যানি'ৰ নামত ইয়াত বেহা-বেপাৰ কৰাৰ আঁৰত ২০০ বছৰ ধৰি-শাসন কৰিছিল। ১৭৯৮ চনত এই দেশৰ দ্বীপ-সমূহ নেদাৰলেণ্ডৰ উপনিবেশলৈ পৰিণত হৈছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ কালত (১৯৩৯—৪৫), অৰ্থাৎ ১৯৪২ চনত, জাপানে এই দেশ অধিকাৰ কৰিছিল আৰু ইয়াত নিজস্ব চৰকাৰো প্ৰতিষ্ঠিত কৰিছিল। কিন্তু ১৯৪৫ চনত জাপানে মিত্ৰশক্তিৰ ওচৰত আত্মসমৰ্পণ কৰিলে আৰু বিশ্বযুদ্ধৰো অন্ত পৰিল। ১৯৪৯ চনত ইন্‌ডোনে'জিয়া স্বাধীন হ'ল। ১৯৬৩ চনত নেদাৰলেণ্ডে ইন্‌ডোনে'জিয়া চৰকাৰক পশ্চিম নিউগিনি প্ৰত্যাৰ্পণ কৰিলে। ১৯৬৬ চনত ইন্‌ডোনে'জিয়াত কমিউনিস্টহঁতে দেশৰ শাসনভাৰ অধিকাৰ কৰিবলৈ চেষ্টা কৰিছিল। সেই সময়ছোৱাত ছুহাৰ্তো আছিল সেনাধ্যক্ষ। তেওঁ সফলতাৰে এই কমিউনিস্ট-বিদ্ৰোহ দমন কৰিছিল।

১৯৬৭ চনত তদানীন্তন ৰাষ্ট্ৰপতি সুকৰ্ণৰ ঠাইত সেনাধ্যক্ষ ছুহাৰ্তো ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হ'ল। ১৯৬৮ চনত তেওঁক এই পদত স্থায়ীৰূপে নিৰ্বচিত কৰা হ'ল। তাৰ পাছত ১৯৭৩, ১৯৭৮, ১৯৮৩ আৰু পঞ্চমবাৰ ১৯৮৮ চনতো তেওঁকেই নিৰ্বাচিত কৰা হ'ল।

এই স্বল্পভাষী ব্যক্তি কথাত নহয়, কৰ্মতহে আস্থাৱান। তেওঁৰ ২৫ বৰ্ষীয় পৰিকল্পনাৰ সাৰ্থক ৰূপায়ণ তেওঁ কৰিব পাৰিছে। দেশৰ গাইপতি উপাৰ্জন বৃদ্ধিৰ হাৰ

৬ ভাগলৈকে বৃদ্ধি কৰিব পাৰিছে।

এ সময়ত ইনডোনে'জিয়া আছিল পৃথিৱীৰ অন্যতম অধিক ধান-চাউলৰ ক্ৰেতা। কিন্তু ১৯৮৪ চনত এইখন দেশ ধান-চাউলত স্বাৱলম্বী হৈ উঠিছে। আগতে দেশত শিশু-মৃত্যুৰ হাৰ আছিল ১০০০ প্ৰতি ১৪০। এতিয়া এই মৃত্যু-হাৰ হাজাৰেপ্ৰতি ৬০লৈ নামি আহিছে। এতিয়া এইখন দেশৰ সকলো শিশুৱেই প্ৰাথমিক শিক্ষা গ্ৰহণ কৰা হৈছে। ১৯৭১ চনলৈকে এইখন দেশত নিৰক্ষৰতাৰ হাৰ আছিল শতকৰা ৩৯। এতিয়া শতকৰা ১৬। জনসংখ্যা-বৃদ্ধিৰ হাৰও শতকৰা ২.৩ ৰপৰা হ্ৰাস পাই ১.৬ হৈছে। এইবোৰ কাৰণত ৰাষ্ট্ৰপতি ছুহাৰ্তোক ইনডোনে'জিয়াৰ 'বিকাশৰ জনক' বুলি অভিহিত কৰা হয়। এই সন্মান তেওঁৰ প্ৰাপ্য। তেওঁ পুনৰ এক ২৫ বৰ্ষীয় যোজনা প্ৰস্তুত কৰিছে।

কিন্তু ইনডোনে'জিয়াত এটা প্ৰশ্নই এতিয়া মূৰ দাঙিছে : ৰাষ্ট্ৰপতি ছুহাৰ্তোৰ ষষ্ঠবাৰৰ ৰাষ্ট্ৰপতীয় কাৰ্যকাল তেওঁ সম্পূৰ্ণ কৰিব পাৰিবনে ? আৰু—এইগৰাকী মহান প্ৰাজ্ঞ ৰাষ্ট্ৰপতিয়ে তেওঁৰ উত্তৰাধিকাৰী নিৰ্বাচন কৰাৰ কথা ভাবিছেনে ?

ইন্‌ডো'নে'জিয়াৰ বিষয়ে জানিবলগীয়াঃ

* ইন্‌ডোনে'জিয়াৰ ১৩৫০০ সৰু-বৰ দ্বীপ ৫.১৫০ কিল'মিটাৰলৈকে বিয়পি আছে। এই দ্বীপসমূহৰ কিছুমান ভাৰত মহাসাগৰত আৰু কিছুমান প্ৰশান্ত মহাসাগৰত অৱস্থিত।
* ইনডোনে'জিয়া হ'ল পৃথিৱীৰ ১৬তম বৃহৎ আয়তনৰ (১৯১৯৪৪০ বৰ্গ-কিল'মিটাৰ) আৰু পৃথিৱীৰ পঞ্চম জনবহুল (১৬.৯ কোটি) ৰাষ্ট্ৰ।
* সৈন্যবলৰ ফালৰপৰা এইখন দেশৰ স্থান একাদশ। কেনাডাৰ পাছতেই ইয়াৰ স্থান।
* উন্নতিত এই দেশৰ স্থান পৃথিৱীত পঞ্চম।
* পৃথিৱীৰ সৰ্বাধিক চাউল-উৎপাদনকাৰী দেশ হিচাপে এইখন দেশৰ স্থান তৃতীয়।
* এই দেশৰ চৰকাৰী ভাষা 'বহাছা ইন্‌ডোনে'জিয়া'ৰ লিপি হ'ল ৰোম্যান লিপি। এইখন দেশৰ প্ৰাদেশিক ভাষা আৰু দোৱানৰ সংখ্যা প্ৰায় ২০০।
* এইখন দেশৰ মুদ্ৰাৰ নাম 'ৰুপিয়া'।

গ্ৰহণ শেষ হ'ল

শৌৰি নামৰ যুৱক এজন গাঁৱৰ জমিদাৰৰ কামলৈ ওলাইছিল। গৈ গৈ দিপাংডহৰিৰ হাবিডৰা পাৰ হৈ যোৱাৰ লগে লগেই হঠাৎ আকাশে গাজিলে, ধুমুহা বলিলে আৰু বৰষুণে সঁতা ধৰিলে।

শৌৰি চিন্তাত পৰিল : এতিয়া কি উপায় ? হঠাৎ বিজুলীৰ পোহৰত অলপমান আঁতৰত কেইটামান ঘৰ দেখা পাই সেই পোনে শৌৰি গুমাই আগ বাঢ়িল আৰু খাপৰিইটাৰে সজোৱা ঘৰ এটাৰ দুৱাৰত খটখটাই থাকিলগৈ।

হাতত সৰু চাকি এটা লৈ আদ বুঢ়া মানুহ এজন দুৱাৰ খুলি ওলাই আহিল আৰু মানুহজনে শৌৰিক সুধিলে, "হেৰা, ইমান দবাপিটা বৰষুণত তুমি বাৰু ক'লৈনো যাবলৈ ওলাইছা ?"

শৌৰিয়ে কিঞ্চিত অন্যমনস্কভাবে ক'লে, "মই—মই হ'লোঁ সুৰাজপুৰৰ জমিদাৰ ডাণ্ডৰীয়াৰ কৰ্মচাৰী। তেওঁৰ সৰু ল'ৰাটিৰ বাবে তাৰ মামাকৰ ঘৰৰপৰা বিশেষ জাতৰ মেকুৰী-পোৱালি এটি লৈ যাবলৈ ওলাইছোঁ মই। ল'ৰাটোৰে জেউৰ ধৰিছে—মেকুৰী পোৱালি তাক লাগেই।"

আদবুঢ়া মানুহজনে হাঁহি হাঁহিয়েই ক'লে, "তোমাৰ বয়স কিজানি—পঁচিছো নহ'ব। এইদৰে মেকুৰী পোৱালি বিচাৰি ওলাইনো জীৱনত কিটো কাম কৰিবা ? তাতকৈ কাম এটা কৰা। শুনা, মহাৰাজৰ পুত্ৰী এগৰাকী আছে। তেওঁৰ নাম হ'ল অলকানন্দা। মহাৰাজৰ একমাত্ৰ সন্তান। এই ৰাজকুঁৱৰী অলকানন্দাক যিজনে বিয়া কৰাব, সেইজনেই হ'ব এই ৰাজ্যৰ

কামিনী শৰ্মা



ভৱিষ্যৎ ৰজা। ৰাজকুঁৱৰী অলকানন্দাই তিনিটা প্ৰশ্ন কৰিব, সেই তিনিওটা প্ৰশ্নৰ উত্তৰ যিজনে এটাৰ কথাৰে দিব পাৰিব, ৰাজকুঁৱৰী অলকানন্দাই সেইজনকে বিয়া কৰাব। কিন্তু উত্তৰ দিব নোৱাৰিলে—সেইজনক বিৰাট কুম্ভীৰৰ গৰাহত পেলাই দিয়া হ'ব। —গতিকে, তুমি জমিদাৰৰ মেকুৰী নধৰি, তৰোৱালত ধৰা, আৰু পাৰিলে ৰাজকুঁৱৰী অলকানন্দাক বিয়া কৰোৱাৰ তথা দুষ্টদমন কৰাৰ দিহা কৰা।"

পাছদিনা, বুঢ়া মানুহজনক প্ৰণাম কৰি শৌৰি ৰাজধানীলৈ বুলি আগবাঢ়িল।

প্ৰায় সাঁজ লাগোঁ লাগোঁ হওঁতে শৌৰিয়ে ৰাজধানী তথা ৰাজপ্ৰাসাদ পালেগৈ। শৌৰিয়ে ৰাজকুঁৱৰী অলকাৰ তিনিওটা প্ৰশ্নৰ উত্তৰ এককথাত দিব।

ৰাজকুঁৱৰীৰ লিগিৰী—তথা সখীয়েক এজনীয়ে শৌৰিলৈ স্থিৰ দৃষ্টিৰে চাই সুধিলে, "আমাৰ ৰাজকুঁৱৰীৰ তিনিওটা প্ৰশ্নৰ উত্তৰ এককথাত দিব নোৱাৰিলে যে অতি হিংস্ৰ কুম্ভীৰ এটাৰ মুখলৈ তোমাক পেলাই দিয়া হ'ব—সেই চৰ্তৰ কথা তুমি জানানে?"

"জানো। মই যে তেতিয়া কুম্ভীৰৰ আহাৰ হ'ম—যমৰ আলহী হ'ম—জানো মই।" শৌৰিয়ে দৃঢ়তাৰে ক'লে।

তেতিয়া দুজনী লিগিৰীয়ে শৌৰিৰ দুচকু ক'লা কাপোৰেৰে বান্ধি হাতত ধৰি কোনোবা এঠাইলৈ লৈ গ'ল আৰু সেই ঠাই পাই চকুৰপৰা ক'লা কাপোৰৰ টুকুৰাটো গুচাই দিয়া হ'ল।

আৰু লগে লগে শৌৰিয়ে এখন বহুমূল্য সিংহাসনত অকল্পনীয় ৰূপৱতী এগৰাকী যুৱতীক বহি থকা দেখা পালে। এই যুৱতীয়েই আছিল ৰাজকুঁৱৰী। ৰাজকুঁৱৰী অলকা—অলকানন্দা।

ৰাজকুঁৱৰী অলকানন্দাই সুঠাম যুৱক শৌৰিলৈ নিষ্পলক নেত্ৰেৰে চাই মৃদুকৈ

হাঁহিৰে সুধিলে, "আকাশতকৈও বিশাল কি ? সাগৰতকৈও গভীৰ কি ? লৱণুতকৈও কোমল কি ? —মোৰ এই তিনিওটা প্ৰশ্নৰ উত্তৰ এক কথাত দিব লাগে।"

শৌৰিয়ে এক কথাত তিনিও প্ৰশ্নৰ উত্তৰ দিলে, "নাৰীৰ হৃদয় !"

ৰাজকুঁৱৰী অলকানন্দাই শৌৰিলৈ সম্ভ্ৰমপূৰ্ণ দৃষ্টিৰে চালে আৰু ক'লে, "শুনা, এক মহাদুষ্টই মোক এইবোৰ প্ৰশ্ন সুধিবলৈ বাধ্য কৰিছে আৰু উত্তৰ দিওঁতাই সঠিককৈ উত্তৰ দিব নোৱাৰিলে, বা পাৰিলেও তেওঁক কুম্ভীৰৰ আহাৰ হিচাপে কুম্ভীৰৰ মুখৰ আগলৈ দলিয়াই দিয়া হৈছে। তোমাকো হিংস্ৰ কুম্ভীৰৰ আহাৰ হিচাপে কুম্ভীৰৰ মুখলৈ নিশ্চয় দলিয়াই দিয়া হ'ব।"

শৌৰিয়ে ৰাজকুঁৱৰী অলকাক সুধিলে, "ৰাজকুঁৱৰী ! মোক মাত্ৰ কওক—সেই মহাদুষ্টটো কোন। সি যিমানেই শক্তিমান নহওক, মই তাক সকলো কথা পানী পানীকৈ শিকাম, তাক মই নিশ্চয় যমৰ দখিণ দুৱাৰ দেখুৱাম।"

"হে সাহসী যুৱক ! তুমি সমৰ্থ তথা বুদ্ধিমন্ত যে সেই কথাত কোনো সন্দেহ নাই। কিন্তু সেই মহাদুষ্টৰ এই কাৰ্য্যক্ৰমৰ আৰু মাত্ৰ এটা দিনহে আছে। —তথাপি

মই তোমাক সকলো কথা বিশদভাবে ক'ম।" ৰাজকুঁৱৰীয়ে শৌৰিক কৈ থাকিল :

'আজিৰপৰা ঠিক উনত্ৰিছ দিনৰ আগতে অলকানন্দাই তেওঁৰ পিতাকৰ সৈতে সাগৰ-বিহাৰলৈ অৰ্থাৎ সাগৰৰ বুকুত ভ্ৰমণ কৰিবলৈ ওলাইছিল। তেওঁলোকৰ লগত সেনাপতি বীৰবৰ্মাও গৈছিল। ৰাজকীয় নাওখনে স্বচ্ছন্দে সাগৰৰ বুকুৰেদি গৈ গৈ সেনাপতি বীৰবৰ্মাৰ নিৰ্দেশমতে সাগৰৰ মাজত থকা এটা অতি সৰু দ্বীপ পালেগৈ। সেই দ্বীপৰ গুহা এটাত বীৰবৰ্মাই মহাৰাজক বন্দী কৰি বান্ধি থৈ দিলে অৰু



অলকানন্দাক পুনৰ প্ৰাসাদলৈ ওভোতাই আনি প্ৰচাৰ কৰিলে যে—সাগৰৰ বুকুত নৌকা-দুৰ্ঘটনাত মহাৰাজৰ মৃত্যু হ'ল আৰু ৰাজকুঁৱৰীক কথমপি ৰক্ষা কৰি ওভোতাই আনিব পৰা হ'ল। তাৰ পাছৰপৰা সেই মহাদুষ্ট সেনাপতি বীৰবৰ্মাই এই প্ৰশ্নৰ খেল খেলি আছে। তাৰ আশা হ'ল এয়ে যে—এই দৰে ৰাজ্যৰ প্ৰজাবৰ্গই জানিব যে ৰাজকুঁৱৰীৰ প্ৰশ্নৰ উত্তৰ স্বয়ং বীৰবৰ্মাৰ বাহিৰে আন কোনেও দিব নোৱৰাত অতঃপৰ বীৰবৰ্মাকে ৰাজকুঁৱৰীয়ে সানন্দে বিয়া কৰালে।'

এই ঘটনা বিবৰি কোৰাৰ অন্তত ৰাজকুঁৱৰীয়ে পুনৰ ক'লে, "কালি ৰাতি মোৰ টোপনি নহাই হ'ল। তাৰ ফলত মই এই প্ৰাসাদ-সংলগ্ন উদ্যানলৈ গৈছিলোঁ, আৰু তাত—এজোপা বিৰাট বৃক্ষৰ আঁৰত বহি বীৰবৰ্মা আৰু তাৰ বিশ্বস্ত অনুচৰ নাগেন্দ্ৰক কথা পাতি থকা দেখা পালোঁ। কি কথা পাতিছে সিহঁতে—সেই কথা শুনিবলৈ মই সেইজোপা বৃক্ষৰ-নিচেই ওচৰ চাপি গ'লোঁ। তেতিয়া সেনাপতি বীৰবৰ্মাই তাৰ বিশ্বস্ত অনুচৰ নাগেন্দ্ৰক কৈ আছিল : 'তুমি সেই দ্বীপলৈ যাবা, আৰু সেই গুহাৰ পৰীয়াটোক ক'বাগৈ যে—গ্ৰহণ শেষ হ'ল। তেতিয়া গুহাৰ পৰীয়াই বন্দী মহাৰাজক তোমাৰ হাতত গটাই দিব আৰু তুমি অতি সহজেই মহাৰাজক মাজ-সাগৰত ঠেলি পেলাই মাৰি পেলাব পাৰিবা। তাৰ পাছত তুমি ৰংমনে উভতি আহিবা, তুমি উভতি অহাৰ পাছদিনাই, অৰ্থাৎ অহা পৰহি-দিনাই মই ৰাজকুঁৱৰীক বিয়া কৰাম, ৰাজ্যৰ সিংহাসন অধিকাৰ কৰি নিজক ৰজা হিচাপে ঘোষণা কৰিম, আৰু তোমাক—সেনাপতি—বা মন্ত্ৰীকে পাতি দিম। বছ—মহাৰাজৰ খেল খতম হৈ যাব।'—এইখিনি কথা মই শুনিছিলোঁ।"

ক্ৰুদ্ধ শৌৰিয়ে কৈ উঠিল, "ইমান



লেতেৰা ষড়যন্ত্ৰ! মই প্ৰতিজ্ঞা কৰিছোঁ, ৰাজকুঁৱৰী, মই—এই ঘৃণ্য ষড়যন্ত্ৰৰো সমুচিত উত্তৰ মই নিশ্চয়েই দিম।"

ৰাজকুঁৱৰীয়ে ক'লে, "তেনেহ'লে—কুম্ভীৰৰ আহাৰ হোৱাৰ আগতেই এই কক্ষৰ পিছফালৰ খিৰিকীয়েদি জাঁপ মাৰি তললৈ গৈ প্ৰাসাদৰ পিছফালে থকা হাবিৰ মাজেদি পলাই যোৱা। —মোৰ প্ৰশ্নৰ উত্তৰ ঠিকমতে দিব নোৱাৰি তুমি খিৰিকীয়েদি জাঁপ মাৰি পলালা বুলিয়েই মই মহাদুষ্ট বীৰবৰ্মাক ক'ম।"

শৌৰিয়ে ৰাজকুঁৱৰীৰ দিহামতেই কাম কৰিলে। কক্ষৰ পিছফালৰ খিৰিকীয়েদি জাঁপ মাৰি তললৈ পৰি নিমিষতে তাৰপৰা নোহোৱা হৈ গ'ল।

পাছদিনা — ঠিক ধলপুৱাতে শৌৰি সাগৰলৈ বুলি ওলাল আৰু কিছুমান মাছমৰীয়াৰ সহায়ত সেই দ্বীপ পালেগৈ। তাত তেতিয়া মস্ত পাগুৰী পিন্ধা তৰোৱাল হাতত লৈ থকা ওখ-পাখ মানুহ এজন বৈ আছিল। শৌৰিক তাত দেখা পাই মানুহজনে ভুক কোঁচাই সুধিলেহি "তুমি কোন? কোনোবা সমুদ্ৰী-ডকাইতনে কি?"

শৌৰিয়ে নিৰ্ভয়ে-নিডৰে শান্ত কিন্তু স্পষ্ট মাতেৰে ক'লে, "গ্ৰহণ শেষ হ'ল।"

এই কথাষাৰ শুনিয়েই মানুহজনে কৈ উঠিল, "কথাটো—তুমিনো কেনেকৈ জানিলাহে? এই কথা মই, আৰু মাত্ৰ নাগেন্দ্ৰইহে জানে।"

শৌৰিয়ে ডাঙৰ মাতেৰে ক'লে, "ইয়ালৈ আহোঁতে মই মোৰ ঢাল-তৰোৱাল সাগৰৰ পানীত হেৰুৱালোঁ। নহ'লে—তোমাক মই এতিয়াই ঘপিয়াই ডুছোৱা কৰি পেলালোহেঁতেন। তেওঁ নাগেন্দ্ৰ নহয়, নাগেন্দ্ৰসিংহ—পুৰন্দৰ ৰাজ্যৰ ভৱিষ্যতৰ মহাৰাজ।"

"তাৰ মানে—?" মানুহজনে আচৰিত মানি শৌৰিক সুধিলে।

"তাৰ মানে—কালি ৰাতি নাগেন্দ্ৰ-

সিংহই খাদ্যত বিহ মিহলাই তাহানিৰ সেনাপতি বীৰবৰ্মাক হত্যা কৰিলে। নাগেন্দ্ৰ সিংহও এতিয়াই এই দ্বীপলৈ আহিব আৰু মহাৰাজক মুক্ত কৰি... ”

ইমানলৈকে শুনিয়েই পাগুৱী পিন্ধা মানুহজন ঢাচ্ কৰে তললৈ বাগৰি পৰি বেহুঁচ হৈ গ'ল।

তেতিয়া শৌৰিয়ে এই বেহুঁচ হৈ পৰা মানুহজনৰ ঢাল-তৰোৱাল লৈ গুহাৰ পৰীয়াটোক ক'লেগৈ; “হেই, মহাৰাজক গুহাৰ ভিতৰৰপৰা এতিয়াই উলিয়াই আন কৈছোঁ —নহ'লে মৰিছ।”

পৰীয়াটোৱে তৎক্ষণাৎ শৌৰিৰ কঠোৰ আদেশ পালন কৰিলে আৰু শৌৰিয়ে তেতিয়াই মহাৰাজক লগত লৈ নাৱত উঠি পুনৰ পুৰন্দৰপুৰ পাই পোনে পোনেই মহাৰাজক ৰাজকুঁৱৰীৰ ওচৰলৈ লৈ গ'ল।

মহাৰাজে পাছত শৌৰিক সুধিছিল, “সেইটোৱেই যে বীৰবৰ্মা—কেনেকৈনো তুমি বুজি পাইছিলা কোৱাচোন ?”

মহাৰাজৰ প্ৰশ্নৰ উত্তৰত শৌৰিয়ে কৈছিল, “সেই মানুহজনে কৈছিল যে—‘গ্ৰহণ শেষ হ'ল—কথাষাৰ কেৱল মই আৰু নাগেন্দ্ৰইহে জানো।’ এইষাৰ কথাৰেপৰাই এই মানুহজনেই যে—ৰাজকুঁৱৰীৰ কক্ষৰপৰা নিফুট হোৱা যুৱকক বিচাৰি অহা বীৰবৰ্মা—সেই কথাৰ ভু পাইছিলোঁ, মহাৰাজ!”

তাৰ পাছত—এদিন মহাৰাজে মহা ধুম-ধামৰে শৌৰ্য্যমান শৌৰিৰ সৈতে ৰাজকুঁৱৰী অলকানন্দাৰ যোৰা পাতি দিছিল আৰু শৌৰিক পুৰন্দৰপুৰ ৰাজ্যৰ উত্তৰাধিকাৰী হিচাপে ঘোষণা কৰিছিল।

আৰু—ষড়যন্ত্ৰী সেনাপতি বীৰবৰ্মাক তাৰ সমগ্ৰ জীৱনকালৰ বাবে ঘনান্ধকাৰ কাৰাগাৰৰ এক ক্ষুদ্ৰাতিক্ষুদ্ৰ কক্ষলৈ নিক্ষেপ কৰি মহাৰাজে সেই ষড়যন্ত্ৰীক যথাযোগ্য দণ্ডেৰে দণ্ডিত কৰিছিল।

অভিশপ্ত পুষ্প

২

আগৰ কথা : [মাণিক্যপুৰী ৰাজ্যৰ বছৰেকীয়া বসন্তোৎসৱৰ সামৰণি পৰিল। এই উৎসৱৰ অন্যতম আকৰ্ষণ ক্ৰীড়া-প্ৰতিযেগিতাৰ সৰ্বশ্ৰেষ্ঠ প্ৰতিযোগী আছিল ৰাজ্যৰ উত্তৰ প্ৰান্তত থকা হিমালয় পৰ্বতশ্ৰেণীৰ মায়ং অঞ্চলৰ জনজাতীয় যুৱক উত্তুংগ। উত্তুংগই ৰাজকুঁৱৰীলৈ উপহাৰস্বৰূপে আগবঢ়াইছিল এখোপা বিচিত্ৰ ফুল। এই ফুলৰ পুলি মায়ঙৰপৰা লৈ অহাৰ বাবে—ৰাজকুঁৱৰীৰ ইচ্ছাত—ৰাজ্যৰ বছা বছা দুজন চিপাহীক মহাৰাজে মায়ঙলৈ পঠাইছিল, কিন্তু বহু চেষ্টাতো চিপাহীদ্বয়ে সেই ফুলৰ পুলি লৈ আহিব নোৱৰা হ'ল. কেৱল এখোপা ফুলহে লৈ আহিল। আৰু এই ফুল ৰাজ্যলৈ লৈ অহাৰ বাতৰি পোৱামাত্ৰেই ৰাজগুৰু গৌৰিনাথ ৰজা প্ৰতাপবৰ্মাৰ ওচৰলৈ গ'ল আৰু অভিশপ্ত ফুলৰ অশুভ প্ৰভাৱৰ বিষয়ে ক'লে। তাৰ পাছত]

"ইমান ধুনীয়া ফুলেৰে কিনো অশুভ ঘটনা ঘটিব পাৰে? ফুল—কেনেকৈনো অশুভ হ'ব গুৰুদেৱ?" প্ৰতাপবৰ্মাই ৰাজগুৰুক ক'লে।

"এই কথা পাছত মই তোমাক বিশদ বুজাই দিম। কিন্তু সেই ঈশান কোণলৈ চিপাহীহঁত গৈছিলনো কিয়? ৰাজ্যত কিবা ধৰণৰ গণ্ডগোলৰ সৃষ্টি হৈছেনে কি?" ৰাজগুৰু গৌৰিনাথে সুধিলে।

"নহয় গুৰুদেৱ! আপোনাৰ আশীৰ্বাদত সমগ্ৰ ৰাজ্যতে শান্তি বিৰাজিত।" ৰজা প্ৰতাবৰ্মাই ক'লে।

তেতিয়া ৰাজগুৰুৱে সুধিলে, "চিপাহী দুজনে মায়ঙৰপৰা লৈ অহা সেই বিচিত্ৰ পুষ্পখিনি এতিয়া ক'ত আছে?"

"আমাৰ ৰাজকুঁৱৰীৰ মন্দিৰত থৈ দিয়া হৈছে।" প্ৰতাপে ক'লে।

"সেই পুষ্প এই মুহূৰ্ততে মন্দিৰৰপৰা উলিয়াই অনাৰ বন্দৰস্ত কৰা। এই পুষ্প যদি ৰাজপ্ৰাসাদৰ অভ্যন্তৰত থাকে— তেনেহ'লে ৰাজপ্ৰাসাদস্থ সকলোটিয়েই বিপদত পৰিব। এই কথা ৰাজকুঁৱৰীক বুজাই কোৱাগৈ। মই কৈছোঁ বুলি ক'বা।" ৰাজগুৰু গৌৰিনাথে ৰজা প্ৰতাপবৰ্মাক দৃঢ় কণ্ঠেৰে ক'লে।

"আপোনাৰ আদেশ নিশ্চয় পালিত হ'ব, গুৰুদেৱ।" মুহূৰ্তমান মৌন হৈ থকাৰ পাছত ৰজা প্ৰতাপে পুনৰ ক'লে, "কিন্তু গুৰুদেৱ, এই পুষ্পৰ অশুভ প্ৰভাৱৰ কথটো মোক আপুনি বুজাই কোৱা নাই। আৰু—প্ৰিয়ম্বদাই এই পুষ্পগুচ্ছক ইমান যে ভাল পাই পেলাইছে ··· । গতিকে— এই বিচিত্ৰ পুষ্পৰ বিষয়ে আপোনাৰ বক্তব্য তায়ো শুনাহেঁতেন—কিজানি— "

ৰজা প্ৰতাপক হাত দাঙি, ৰখাই ৰাজগুৰুৱে কৈ উঠিল। "তোমাৰ এই প্ৰস্তাৱ সময়োচিত! প্ৰিয়ম্বদাক মোৰ কথা কৈ মাতি আনা। ঠিকেই, এই বিচিত্ৰ তথা অভিশপ্ত পুষ্পৰ বিষয়ে জানিবলগাখিনি প্ৰিয়ম্বদায়ো জনা আৱশ্যক।"

ৰাজকুঁৱৰী প্ৰিয়ম্বদা তালৈ আহিল। ৰাজগুৰুক প্ৰণাম কৰাৰ অন্তত প্ৰিয়ম্বদাই ৰাজগুৰুৰ সমুখত এখন আসনত বহিল। তেতিয়া ৰাজগুৰুৱে কৈ থাকিল :

'কোনোবা এসময়ত এই বিচিত্ৰ পুষ্পও অন্যান্য পুষ্পৰ দৰেই ফুলিছিল আৰু ফুলাৰ পাছত বহুদিন ধৰি অবিকৃত হৈ থাকিছিল। এশ-বছৰৰ আগতে মহাৰাজ চন্দ্ৰকান্ত আছিল এই মাণিক্য-পুৰীৰ ৰজা। মহাৰাজ চন্দ্ৰকান্ত আছিল এগৰাকী ধাৰ্মিক আৰু প্ৰজা-কল্যাণব্ৰতী

ৰজা। চন্দ্ৰকেতু আছিল মহাৰাজ চন্দ্ৰকান্তৰ ভায়েক, কিন্তু স্বভাৱ-চৰিত্ৰত চন্দ্ৰকান্তৰ বিপৰীত। চন্দ্ৰকেতু আছিল অতি দুষ্ট প্ৰকৃতিৰ। চন্দ্ৰকেতুৱে ৰাজ-কাৰ্য্যত কোনো সহায় নকৰিছিল, আৰু বিশেষকৈ ৰাজ্যৰ আদিবাসী-অধ্যুষিত অঞ্চল-সমূহত ঘূৰি ফুৰিছিল। এইদৰে ঘূৰি-ফুৰি থাকোঁতে এসময়ত চন্দ্ৰকেতুৰ সৈতে নাগাম্বী নামৰ জনজাতীয় মানুহ এজনৰ বন্ধুত্ব হ'ল। এই নাগাম্বীয়ে কিছু কিছু মন্ত্ৰ-তন্ত্ৰ জানিছিল আৰু চন্দ্ৰকেতুৱে নাগাম্বীৰপৰা এই মন্ত্ৰ-তন্ত্ৰৰ ভালেখিনি আয়ত্ত কৰি লৈছিল। এদিন নাগাম্বীয়ে এই বিচিত্ৰ পুষ্প কিছুখিনি বুটলি আনি চন্দ্ৰকেতুক ক'লে যে—এই ফুল তপত পানীৰে তিয়াই—সেই সুগন্ধি পানী গাত ছটিয়াই যেই-সেই মানুহক বশ কৰিব পাৰি। — তেতিয়া চন্দ্ৰকেতুৰমূৰত এক দুৰভিসন্ধিয়ে বাহ ল'লে। চন্দ্ৰকেতুৱে নিজৰ ককায়েক মহাৰাজ চন্দ্ৰকান্তৰ গাত এই বিচিত্ৰ পুষ্পৰ সুগন্ধি পানী ছটিয়াই বশীভূত কৰি মাণিক্যপুৰী ৰাজ্য অধিকাৰ কৰাৰ ফন্দী পাঙিলে। তাৰ পাছত—এই পুষ্প এথোপা লগত লৈ চন্দ্ৰকেতু পুনৰ ৰাজধানীলৈ আহিল আৰু সেই বিচিত্ৰ পুষ্প তপত পানীৰে তিয়াই সুগন্ধি পানী

প্ৰস্তুত কৰি পোনতে আন কাৰোবাৰ গাত সেই পানী ছটিয়াই বশীকৰণৰ পৰীক্ষা ল'বলৈ প্ৰস্তুত হ'ল।

ৰাজকুঁৱৰীয়ে সুধিলে, "চন্দ্ৰকেতুৱে সঁচাসঁচিকৈ মহাৰাজ চন্দ্ৰকান্তৰ অনিষ্ট কৰিব পাৰিছিলনে? চন্দ্ৰকেতুৱে মাণিক্য-পুৰী অধিকাৰ কৰিছিলনে কি?"

ৰাজগুৰুৱে ক'লে, "নহয়, প্ৰিয়ম্বদা, চন্দ্ৰকেতুৰ কুটিল আঁচনি সফল হোৱা নাছিল। মই সেইবোৰ কথা এতিয়াই ক'ম যে কেনেকৈ কি হৈছিল!" এই বুলি কোৱাৰ অন্তত ৰাজগুৰুৱে পুনৰ বিচিত্ৰ পুষ্পৰ কাহিনী কৈ থাকিল:

সেই কালত আমাৰ বৈষ্ণৱীমাতাৰ মন্দিৰৰ পূজাৰী আছিল কুলশ্ৰেষ্ঠ নামৰ এগৰাকী মহান পণ্ডিত। তেওঁৰ আছিল একেজনী মাত্ৰ ছোৱালী। ছোৱালীজনীৰ নাম আছিল ভাগ্য । হাতত বিচিত্ৰ পুষ্পৰ মন্ত্ৰসিদ্ধ পানী লৈ ৰাজআলিয়েদি গৈ থাকোঁতে এইজনী ৰূপৱতী ভাগশ্ৰীলৈ চন্দ্ৰকেতুৰ চকু পৰিল। ভাগ্যশ্ৰীৰ লগত তাইৰ কেইজনীমান সখিয়েকো গৈ আছিল। চন্দ্ৰকেতুৱে বিচিত্ৰ পুষ্পৰ পানীৰ বশীকৰণশক্তিৰ প্ৰভাৱৰ লেখ ল'বলৈ সেই সুগন্ধিত পানী ভাগ্যশ্ৰীৰ গালৈ ছটিয়াই দিলে। ভাগ্যশ্ৰীজনী মুহূৰ্ত্ততে বলিয়াহেন হৈ উঠিল। তাই চিঞৰি চিঞৰি দৌৰি থাকিল। বাটকৰা কিছুমানে কথাটো গমি—চন্দ্ৰকেতুক গবা মাৰি ধৰিলে, আৰু ধৰি বৈষ্ণৱীমাতাৰ মন্দিৰলৈ লৈ গৈ ভাগ্যশ্ৰীৰ বলিয়া অৱস্থাৰ কথা পূজাৰী কুলশ্ৰেষ্ঠক বুজাই ক'লে।

পূজাৰী কুলশ্ৰেষ্ঠ তৎক্ষণাৎ মন্দিৰৰপৰা ওলাই আহিল, আৰু বলিয়াৰ দৰে চিঞৰি থকা ভাগ্যশ্ৰীৰ হাতত ধৰি সুধিলে, "আই, কিনো হ'ল তোৰ?"

ভাগ্যশ্ৰী ৰ'ল, কিন্তু তাইৰ মুখৰপৰা কোনো মাত নোলাল। ইফালে-সিফালে বাৰদিয়েক ভীত চাৱনিৰে চাই হঠাৎ ভাগ্যশ্ৰী অচেতন হৈ বাগৰি পৰিল।

ভাগ্যশ্ৰীৰ লগত থকা তাইৰ সখিয়েক কেইজনীয়ে—ভাগ্যশ্ৰীজনীৰ দেউতাকক ক'লে, "আমি স্নান সমাপনান্তে নৈৰপৰা উভতি আহি আছিলোঁ। তেনেতে—এই মানুহজনে ভাগ্যশ্ৰীৰ গাত পানীৰ নিচিনা কিবা এবিধ ছটিয়াই দিলে আৰু ঠিক তেতিয়াৰেপৰাই ভাগ্যশ্ৰীৰ এনে অৱস্থা হ'ল।" ভাগ্যশ্ৰীৰ সখিয়েক এজনীয়ে চন্দ্ৰকেতুলৈ আঙুলিয়ালে।

পূজাৰী পণ্ডিত কুলশ্ৰেষ্ঠই চন্দ্ৰকেতুক সুধিলে, "তুমি কোন? মোৰ ছোৱালীজনীৰ গাত তুমি কি বস্তু ছটিয়ালা?"

"হে মহাত্মা! এওঁ যে আপোনাৰ ছোৱালী—মই নাজানিছিলোঁ। এজন ভীল মানুহে মোক এথোপা বিচিত্ৰ পুষ্প দিছিল আৰু সেই পুষ্প তিওৱা পানীৰে বশীকৰণৰ কাম সুচাৰুৰূপে কৰিব পাৰি বুলি মোক কৈছিল। সেই ভীল মানুহজনৰ কথা মতে কাম কৰিলে প্ৰকৃততে তাৰ কি ফল হয়—তাৰ পৰীক্ষা ল'বলৈহে মই এইজনীৰ গাত অলপ পানী ছটিয়াইছিলোঁ। মোৰ আন কোনো অভিসন্ধি নাছিল...কেৱল পৰীক্ষা কৰাৰ বাহিৰে মোৰ অন্য কোনো উদ্দেশ্যয়েই নাছিল... গতিকে মোক আপুনি দয়া কৰি ..'

চন্দ্ৰকেতুক ঠিক তেনেকৈয়েই ধৰি ৰাখিবলৈ ইংগিতেৰে কৈ পূজাৰী কুলশ্ৰেষ্ঠ মন্দিৰৰ ভিতৰলৈ গ'ল, আৰু লৈৰম্বীমাতাৰ ডিঙিৰপৰা ফুলমালা এধাৰি লৈ, পুনৰ মন্দিৰৰ বাহিৰলৈ ওলাই আহি, সেই মালাধাৰ সোঁ হাতেৰে শূন্যলৈ দাঙি ধৰি ক্ৰোধৰ আবেশেৰে কৈ থাকিল : হে মাতা লৈৰম্বী! মই মোৰ সমগ্ৰ জীৱনকাল ধৰি জন-কল্যাণৰ বাবে তোমাক কায়মনোবাক্যে পূজি আহিছোঁ। মই কোনো দিনেই ভুলতো মোৰ নিজৰ কাৰণে তোমাৰপৰা একোৱেই খোজা নাই। এতিয়া, মোৰ একমাত্ৰ কন্যাসন্তানীৰ দুৰ্দশা তুমি দেখিছাই, মা! তাইক, আৰু লগতে মোকো দুৰ্দৈৱৰপৰা ৰক্ষা কৰা,



হে মাতা! আৰু, মোৰ ছোৱালীৰ এনে দুৰ্দশা যিজনে কৰিলে, হে মাতা, সেই নৰকপী ৰাক্ষসটোকো ধ্বংস কৰা! যি পুষ্পৰ তিওৱা পানীৰে মোৰ ছোৱালীজনীৰ এনে অৱস্থা হ'ল—সেই পুষ্প—হে মাতা ভৈৰৱী—সেই পুষ্প আৰু কদাপি প্ৰস্ফুটিত নহয় যেন!" এই বুলি কৈ, পূজাৰী কুলশ্ৰেষ্ঠই ভৈৰৱীমাতাৰ ভিত্তিৰপৰা সোলোকাই অনা সেই ফুল-মালাধাৰ মহাতুষ্ট চন্দ্ৰকেতুৰ গালৈ জোৰেৰে দলিয়াই দিলে।

আৰু পাছ মুহূৰ্ততে মাতা ভৈৰৱীয়ে পূজাৰী কুলশ্ৰেষ্ঠৰ আগত আবিৰ্ভূত হৈ কুলশ্ৰেষ্ঠক ক'লে, "হে মোৰ পুত্ৰ! তোমাৰ প্ৰাৰ্থনা মই উপলব্ধি কৰিছোঁ। তোমাৰ পুত্ৰী এতিয়াই স্বাভাৱিক হৈ উঠিব। আৰু—তোমাৰ নিৰ্দোষ-নিজগৰ পুত্ৰীৰ ওপৰত যিজনে সেই পুষ্পৰ পানী ছটিয়াইছিল, সেইজন ভূতলৈ ৰূপান্তৰিত হ'ব। আৰু এই পুষ্প—মন্ত্ৰসিদ্ধ কৰি কুকৰ্মত ব্যৱহাৰ কৰা হৈছিল। পুষ্পৰ প্ৰকৃততে কোনো দোষ নাছিল। তথাপি, তোমাৰ ইচ্ছা অনুসাৰে, এই পুষ্প এই শতাব্দীত আৰু নুফুলিব। প্ৰকৃতপক্ষে—এই বিচিত্ৰ পুষ্প এক শতিকাত মাত্ৰ এবাৰকৈহে ফুলিব। কিন্তু—এই পুষ্পৰ অনিষ্টকাৰী শক্তি বলৱৎ থাকিব। এতিয়া তুমি এইবোৰ ঘটনাৰ কথা বিস্মৃত হোৱা আৰু মন্দিৰৰ স্বাভাৱিক কাৰ্য্যত যোগদান কৰা।" এই বুলি কৈয়েই ভৈৰৱী মাতা তাৰপৰা অদৃশ্য হৈ পৰিল।

পূজাৰী কুলশ্ৰেষ্ঠ মাতা ভৈৰৱীৰ আদেশমতে মন্দিৰলৈ গ'ল, আৰু পূজাদি কাৰ্য্য শান্ত হৃদয়ে সমাপন কৰি পুনৰ মন্দিৰৰপৰা ওলাই আহিল। আৰু ঠিক তেতিয়াই হাঁহি হাঁহি ভাগ্যশ্ৰীও তাইৰ দেউতাকৰ অৰ্থাৎ পূজাৰীৰ কাষ চাপিল। তেতিয়া—তাইৰ মুখ-চকুত অলপ সময়ৰ আগৰ সেই বলিয়া-ভাবৰ চিহ্নমাত্ৰও

দেখা নগৈছিল।

তিমানতে—ভাগ্যশ্ৰীৰ গালৈ বিচিত্ৰ পুষ্পৰ পানী ছটিউৰা চন্দ্ৰকেতুও এটা ভূতলৈ ৰূপান্তৰিত হৈ সেই ঠাইৰপৰা নোহোৰা হৈছিল।

এইবোৰ কথাৰ ভু পাই—ভায়েকৰ কুকৰ্মৰ বাবে—মহাৰাজ চন্দ্ৰকান্ত যথেষ্ট লজ্জিত হৈছিল। তেওঁ স্বয়ং মন্দিৰৰ পূজাৰী কুলশ্ৰেষ্ঠৰ ওচৰলৈ গৈ তেওঁক সান্ত্বনা দিলে আৰু পৰিশেষত ক'লে, : "আপোনাৰ পুত্ৰীক আমাৰ ৰাজ-মন্দিৰলৈ পঠাই দিব। মোৰ ছোৱালীজনীৰ সৈতে কিছু সময় হাঁহি-মাতি কটালে,বা আলাপ-আলোচনা কৰিলে তাইৰ হয়তো কিঞ্চিত মামসিক উপকাৰ হ'ব।"

ইমানলৈকে কোৱাৰ আন্তত ৰাজগুৰু গৌৰিনাথে পুনৰ ক'লে, "এইবোৰ ঘটনাৰ কথা মই মহাৰাজ চন্দ্ৰকান্তৰ কাহিনীমূলক প্ৰাচীন তালপতীয়া পুথি অধ্যয়ন কৰি জানিব পাৰিছোঁ। মই এই কথাটোও সেই তালপতীয়া গ্ৰন্থ পাঠ কৰি জ্ঞাত হৈছোঁ যে—এই বিচিত্ৰ পুষ্প এশবছৰত মাত্ৰ এবাৰকৈহে ফুলিব আৰু তাৰ কাৰণেই এই পুষ্পক আগলৈ 'শতাব্দী পুষ্প' বুলি অভিহিত কৰা হ'ব। আৰু তাৰ কাৰণেই এই বিচিত্ৰ পুষ্পৰ আগমনৰ



কথা জানিয়েই মই শংকিত হৈ উঠিছিলোঁ আৰু তোমাক এই অভিশপ্ত পুষ্পৰ বিষয়ে সাৱধান কৰিবলৈ এনে অসময়ত ইয়ালৈ আহিছিলোঁ, পুত্ৰ!"

ৰজা প্ৰতাপবৰ্মাই তেওঁৰ জীয়েক প্ৰিয়ম্বদালৈ চাই ক'লে, "প্ৰিয়ম্বদা, আমাৰ গুৰুদেৱৰ কথাখিনি শুনিলাই। গতিকে —সেই পুষ্পগুচ্ছ আৰু আমাৰ অন্তেষপুৰত নাৰাখি—উদ্যানলৈ পঠিয়াই দিয়াটোহে ভাল হ'ব বুলি ভাবোঁ।"

ৰাজকুঁৱৰী প্ৰিয়ম্বদাই ক'লে, "হয়, দেউতা, মই এতিয়াই সেই বিচিত্ৰ পুষ্পগুচ্ছ অন্তেষপুৰৰপৰা পঠাই দিম।"

"তাৰ পাছত ৰাজগুৰু গৌবিনাথলৈ চাই প্ৰিয়ম্বদাই পুনৰ ক'লে, "মধুৰ সুগন্ধ বিতৰণকাৰী কোনোবা ফুলতো যে ইমান ৰহস্য থাকিব পাৰে—ভবা-টানেই।"

তিমানতে এজন চিপাহী তালৈ আহিল। চিপাহীজনে ৰজা প্ৰতাপবৰ্মাক প্ৰণাম কৰি ৰ'লে "মহাৰাজ! আমাৰ সেনাধিপতি আপোনাৰ দৰ্শনপ্ৰাৰ্থী।"

"তেওঁক ইয়ালৈ পঠাই দিয়া।"

চিন্তিত তথা বিষাদগ্ৰস্ত যেন লগা সেনাধিপতিক দেখি ৰজা প্ৰতাপে সেনাধিপতিক ক'লে, "তোমাক অতি চিন্তিত — অতি বিষাদগ্ৰস্ত যেন বোধ হৈছে। কথানো কি?"

"হয়, মহাৰাজ! এক ডাঙৰ সমস্যাৰ সৈতে আমি সাঙোৰ খাই পৰিছোঁ। আজি ধলপুৱাৰেপৰাই আমাৰ ৰাজ্যৰ দক্ষিণ প্ৰান্তৰপৰা প্ৰজাবৰ্গই ঘৰ-দুৱাৰ এৰি ৰাজধানীলৈ আগুৱাই অহা হৈছে। আমাৰ সাগৰপৰীয়া ঘৰবোৰ সম্পূৰ্ণ বিনষ্ট হৈছে। কিন্তু কোনো ভূমিকম্প বা সাগৰত প্ৰলয়ৰো সৃষ্টি হোৱা নাই—বা জন-হানিও একেবাৰেই হোৱা নাই।"

"তুমি—" চিন্তিত ৰজাই ক'লে, "তুমি এই বিষয়ে কি ব্যৱস্থা লৈছা?"

"মই ভগনীয়াহঁতক আমাৰ পক্ষে সম্ভৱ সকলোতে আশ্ৰয় আৰু খাদ্য প্ৰদান কৰাৰ বন্দৰস্ত কৰিছোঁ, মহাৰাজ!" সেনাধিপতিয়ে ক'লে।

ৰজা প্ৰতাপবৰ্মাই ৰাজগুৰু গৌবিনাথলৈ ঘূৰি চাই সুধিলে, "গুৰুদেৱ! এই বিষয়ে আপোনাৰ পৰামৰ্শ কি?"

"হে প্ৰতাপ! সেনাধিপতিয়ে সঠিক ব্যৱস্থাকে অৱলম্বন কৰিছে। আৰু—" ক্ষন্তেকৰ মৌনতাৰ পাছত ৰাজগুৰুৱে পুনৰ ক'লে, "সেই অভিশপ্ত পুষ্পৰ ধ্বংসকাৰী শক্তিৰ ই-ও এক দেখ দেখ দৃষ্টান্ত বুলি বোধ হৈছে।" [আগলৈ

অসময়ৰ বন্ধু

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ কাষ চাপিল আৰু গছৰ ডালৰপৰা ওলমি থকা শ'টো নমাই আনি কান্ধত পেলাই লৈ আউসীৰ ঘোৰ অন্ধকাৰৰ মাজেদি মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া, শ'টোৰ মাজত থকা বেতালে গম্ভীৰ কণ্ঠেৰে কৈ উঠিল, "হে ৰজা! কিছুমান মানুহে জ্যেষ্ঠসকলৰ আদেশ বিনা প্ৰশ্নে পালন কৰে, কিন্তু সেই আদেশ পালনকাৰীক তেওঁৰ কঠোৰ শ্ৰমৰ বাবে যথোচিত প্ৰশংসা নকৰা হয়, আনকি তেওঁলোকৰ কৃতিত্বৰ শলাগ লোৱাৰ সলনি আদেশকাৰীয়েহে নিজৰ কৃতিত্বহে জাহিৰ কৰে। মোৰ এই কথাৰ উদাহাৰণ স্বৰূপে আজি মই তোমাক ধনদত্তৰ কাহিনী ক'ম।" এই বুলি কৈ বেতালে সেই কাহিনী ক'বলৈ ধৰিলে :

'বেতাল-কথা'

দুখীয়াৰো দুখীয়াৰ শাৰীলৈ নামি আহিল।

ধনদত্তই তেওঁৰ হাতত থকা ধনেৰে অন্যান্য বেপাৰীৰ বস্তু-বাহানিৰ মূল্য পৰিশোধ কৰিলে। অৱশ্যে—এই সততা প্ৰদৰ্শন কৰাৰ বাবে তেওঁ তেওঁৰ পাঁচ লাখ মুদ্ৰা মূল্যৰ ঘৰটো বন্ধকত থৈ দহ হাজাৰ মুদ্ৰা ঋণ ল'বলগীয়া হৈছিল।

এনে পৰিস্থিতিত ধনদত্তই তেওঁৰ পুত্ৰ দৈৱদত্তক এদিন ক'লে, "বোপা, মোক মোৰ কাম-কাজত সহায় কৰাৰ বয়স তুমি পাইছা। ইমান দিন ধৰি তুমি মোৰ বৈভৱ — ধন-সম্পদ দেখিছিলা. এতিয়া মোৰ দুৰাৱস্থাও দেখিছা। মই যেতিয়া মোৰ ব্যৱসায় তোমাৰ হাততে গটাই দিম বুলি ভাবি আছিলোঁ, তেতিয়াই মোৰ এনে দুৰ্ভাগ্য হ'ল, কপালত জুই লাগিল। তুমি গাঁৱলৈ যাবলৈ সাজু হোৱা। তাত চন্দ্ৰশেখৰ নামৰ আমাৰ এক নিকটআত্মীয় আছে। তেওঁ সম্পৰ্কত তোমাৰ দাদাৰ হয়। তেওঁ মোৰ এই অৱস্থাত নিশ্চয় মোক সহায় কৰিব। তেওঁৰপৰা পঁচিছ হেজাৰ মুদ্ৰা খুজি লৈ আহিবা। সেইখিনি মুদ্ৰাৰে মই লোকক দিবলগাখিনি দিম আৰু যিখিনি থাকিব—তাৰে পুনৰ বেহা-বেপাৰৰ ধৰি তোমাক বেহা-বেপাৰৰ কিটিপ-কৌশল শিকাই দিম।"

কোনোবা এখন নগৰত ধনদত্ত নামৰ এজন বেপাৰী মানুহ আছিল। তেওঁ আনৰ জাহাজেৰে নিজৰ বস্তু-বাহানি কৰিয়াই দেশ-বিদেশলৈ লৈ গৈছিল আৰু সফল ভাবে বাণিজ্য কৰিছিল। বহুদিনৰ অন্তত ধনদত্তই তেওঁৰ সমগ্ৰ জীৱনৰ আৰ্জনৰ ধনেৰে নিজাকৈ জাহাজ এখন কিনিলে আৰু সেই জাহাজত নিজৰ, আৰু অন্যান্য বেপাৰী-বণিজাৰুৰ বেহানি বোজাই কৰি বাণিজ্যৰ বাবে বিদেশলৈ পঠালে।

কিন্তু দুৰ্ভাগ্যক্ৰমে সেই বাণিজ্য-জাহাজ মাজ সাগৰত ধুমুহাৰ কবলত পৰি ডুবিল আৰু এইদৰে দেশৰ অন্যতম ধনিক ধনদত্ত

পাছদিনা দৈৱদত্তই সিহঁতৰ স্বগ্ৰামলৈ তথা চন্দ্ৰশেখৰৰ ঘৰলৈ বুলি খোজ লোৱাৰ আগে আগে দেউতাক ধনদত্তই পুত্ৰ দেৱদত্তক ক'লে, "তুমি গধূলিৰ আগে আগে মতিপুৰ গাঁও পাবাগৈ। তাতে মোৰ সৰুকালৰ বন্ধু ৰমাকান্তৰ ঘৰ বিচাৰি উলিয়াই ৰাতিছোৱা খপিব পাৰিবা। পছদিনা তাৰপৰা ধলপুৱাতে ওলাই দুপৰীয়াৰ আগে আগেই আমাৰ গাঁও ৰত্নপুৰ পাবাগৈ। যদি কিবা কাৰণত চন্দ্ৰশেখৰ ঘৰত নথকা হয়—তেনেহ'লে—সেই গাঁৱৰে বিনয়সেনৰ ঘৰলৈ গৈ, মোৰ কথা কৈ, তাত চন্দ্ৰশেখৰৰ বাট চাই দুই-এদিন থাকিব পাৰিবা। কিন্তু খবৰ্দাৰ! ৰমাকান্তৰপৰা, বা সেই বিনয়সেনৰপৰাও একোপধ্যেই সহায়-ভহায় নল'বা।"

পিতাকৰ আদেশ-নিৰ্দেশ মতে দৈৱদত্ত প্ৰথমতে মতিপুৰৰ ৰমাকান্তৰ ঘৰলৈ গ'ল। ৰমাকান্তই অতি মৰমৰে সৈতে দৈৱদত্তক আদৰি ল'লে। তাৰ পাছত, দৈৱদত্তৰ মুখে তাৰ দেউতাকৰ দুৰৱস্থাৰ কথা শুনি সহানুভূতিৰ কণ্ঠেৰে ক'লে, "বোপা, এনে অৱস্থাত তোমাৰ দেউতাৰাই মোৰপৰা মুদ্ৰা নুখুজি সেই মহাকৃপণ চন্দ্ৰশেখৰৰপৰা যে কিয় খুজি পঠাইছে—সেই কথাৰ ভু আমি ধৰিব পৰা নাই তোমাৰ দেউতাৰাৰ

নিচেই কম বয়সতে মাতৃ-পিতৃহীন হোৱা চন্দ্ৰশেখৰ তোমালোকৰ ঘৰলৈ আশ্ৰয় লৈছিলগৈ, আৰু তোমালোকৰ ঘৰতে থাকি-খাই তোমালোকৰ ঘৰতে ডাঙৰ-দীঘল হৈ, পাছত তোমালোকৰ সা-সম্পদ আত্মসাৎ কৰিছিল। শেষত—তোমাৰ দেউতাৰাই পেট-প্ৰবৰ্তাৰলৈ নগৰলৈ গ'ল আৰু ভাগ্যই সাৰথি হোৱাত তেওঁৰ কপালো ফুলিল। এই চন্দ্ৰশেখৰ বোলা মানুহজন কেৱল প্ৰতাৰকেই নহয়, সি হ'ল বিকট ধৰণৰ এক চিকটাও হয়।"

"কিন্তু মই অপোনালোকৰপৰা মুদ্ৰা ল'ব নোৱাৰিম, দেউতাই দঢ়াই দঢ়াই কৈ



দিছে মোক।" দৈৰদত্তই ক'লে।

ৰমাকান্তই অলপ পৰলৈ কিবাকিবি চিন্তা কৰিলে আৰু তাৰ পাছত ক'লে, "কিয় তোমাৰ দেউতাৰাই এই কথা তোমাক কৈ দিলে, মই নুবুজা নহয়। তেওঁ যেতিয়া দুখ-কষ্টত ধোঁৱা-কোঁৱা লেখিছিল, ককবকাইছিল, তেতিয়া মই তেওঁক সহায় কৰা নাছিলোঁ, কৰিবপৰা নাছিলোঁ। কিন্তু তেওঁক যেতিয়া ঈশ্বৰে মোৰ বুলিলে, তেতিয়া ময়ো তেওঁৰ কাষ চাপিছিলোঁগৈ, মই তেওঁৰপৰা যথেষ্ট সহায় লৈছিলোঁগৈ। তোমাৰ দেউতাৰাৰপৰা মই পাঁচ হেজাৰ মুদ্ৰা খুজি লৈছিলোঁ। এতিয়া—তেওঁৰ এনে দুৰ্দশাগ্ৰস্ত অৱস্থাত বাৰু কমেও তেওঁৰ প্ৰাপ্যখিনি নিদিয়াকৈ থাকিমনে? তুমি এইখিনি লৈ যাবা।"

দৈৰদত্তই ক'লে যে—ঘৰলৈ উভতি যাওঁতে মুদ্ৰাখিনি তেওঁৰপৰা খুজি লৈ যাব। কিন্তু ৰমাকান্তই জোৰ-জবৰি কৰি মুদ্ৰাখিনি তাৰ হাতত গটাই দিলে।

পাছদিনা, দেউতাকৰ নিৰ্দেশমতেই, ৰমাকান্তৰ ঘৰৰপৰা ধলপুৰাতে ওলাই, ৰত্নপুৰ পাই চন্দ্ৰশেখৰ দাদাৰ ঘৰলৈ গৈ শুনিলে যে তেওঁ কালি ঘৰৰপৰা ক'ৰবালৈ গৈছে, আৰু কেতিয়া তাৰপৰা ঘূৰিব তাকো কৈ যোৱা নাই তেওঁ।

তেতিয়া দৈৰদত্ত গাঁৱৰে বিনয়সেনৰ ঘৰলৈ গ'ল, বিনয়সেনে তেওঁৰ বন্ধুপুত্ৰক মহা সমাদৰ কৰি ৰাখিলে আৰু বন্ধুপুত্ৰৰ মুখৰপৰা বন্ধুৰ সাম্প্ৰতিক বা-বিবৰণ শুনি দৈৰদত্তক ক'লে, "চন্দ্ৰশেখৰে তোমালোকৰ সা-সম্পদ একপ্ৰকাৰে সৰকোৱা বুলিয়েই ক'ব পাৰি। আজিও চন্দ্ৰশেখৰৰ মাজত ধনৰ লোভ তেনেকুৱাই হৈ আছে। এইবোৰ কথা জানিও কিয় যে তোমাৰ দেউতাৰাই তোমাক চন্দ্ৰশেখৰৰ ওচৰলৈ পঠালে—কেৱল তেওঁহে ক'ব পাৰিব। হয়তো—অহুকাণে-পহুকাণে তুমি ইয়ালৈ অহাৰ কথা কেনেবা কৈ শুনিয়েই



চন্দ্ৰশেখৰ ঘৰ এৰি পলাল, আৰু তুমি এইখন গাঁৱত থকালৈকে হয়তো নুঘুৰিব। গতিকে — চন্দ্ৰশেখৰলৈ মিছামিছিকৈ ইয়াত বৈ থকাৰ কোনো যুক্তি নাই। মই যিখিনি মুদ্ৰা গোটাই-পিটাই তোমাৰ হাতত দিম — লৈ যাবা, সেইখিনি তোমাৰ দেউতাবাৰ হাতত দিবাগৈ।"

কিন্তু দৈৱদত্ত পিতৃবন্ধুৰ এই কথাত সন্মত নহ'ল। তথাপি বিনয়সেনে ত্ৰিছ হাজাৰ মুদ্ৰা গোটাই আনি দৈৱদত্তৰ হাতত গটাই দিলে।

দৈৱদত্তই সৰ্বমুঠ পঁইত্ৰিছ হাজাৰ মুদ্ৰাৰে সৈতে ঘৰলৈ উভতি আহিল। ঘৰ পাই—তাত এজন বুঢ়া মানুহক দেখা পালে। এইজন বুঢ়া মানুহক দৈৱদত্তই আগে কেতিয়াও দেখা নাছিল।

পিতৃ ধনদত্তই পুত্ৰ দৈৱদত্তক ক'লে, "এওঁৰ ভৰি ছুই প্ৰণাম কৰাঁ। এওঁ আমাৰ চুবুৰীয়া গাঁৱলৈ কিবা কামত আহি অসুস্থ হৈ পৰাত মোলৈ খবৰ পঠাইছিল, আৰু মই আমাৰ ঘৰলৈ লৈ আহিছিলোঁ। এৱেঁই তোমাৰ ককায়েৰা—চন্দ্ৰশেখৰ।"

দৈৱদত্তই চন্দ্ৰশেখৰৰ ভৰি ছুই প্ৰণাম কৰিলে। তাৰ পাছত চন্দ্ৰশেখৰ এসময়ত তাৰপৰা গুচি গ'ল।

তেতিয়া দৈৱদত্তই তাৰ দেউতাকৰ হাতত বিনয়সেন আৰু ৰমাকান্তই দিয়া পঁইত্ৰিছ হাজাৰ মুদ্ৰা গটাই দিলে আৰু ক'লে, "দেউতা, আপোনাৰ দেখোন কেইগৰাকীমান প্ৰকৃত বন্ধু আছে। তেনে-স্থলত—মোক আপুনি সেই কৃপণৰো কৃপণ চন্দ্ৰশেখৰৰ ওচৰলৈ কিয় যে পঠাইছিল— মই একেবাৰেই বুজা নাই।"

পুত্ৰৰ কথাৰ উত্তৰত পিতৃ ধনদত্তই ক'লে, "মই তোমাক দুনিয়াখনৰ ইমানদাৰীৰ হাল-হকিকৎ আৰু লগতে বেহা-বেপাৰৰো গুৰি কথা শিকাব খুজিছিলোঁ। তোমাক মই যি শিক্ষা দিব খুজিছিলোঁ, তাৰেই এভাগ আছিল

তামাৰ দাদাৰ এইজন চন্দ্ৰশেখৰ।”

এই কাহিনী কোৱাৰ অন্তত বেতালে ক'লে, “হে ৰাজন্! মুদ্ৰাৰ সহায় খুজি পুত্ৰক এক প্ৰতাৰক আৰু মহাকৃপণৰ ওচৰলৈ পঠাই আৰু প্ৰকৃত সহায় কৰোঁতা সৎ বন্ধুবৰ্গৰপৰা সহায় ল'বলৈ বাৰণ কৰি ধনদত্তইনো পুত্ৰ দৈৱদত্তক কি শিক্ষা দিব খুজিছিল? এই কথাত বেহা-বেপাৰৰো কি শিক্ষণীয় কথা লুকাই আছিল ক'ব পাৰিবা নে? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও যদি তুমি সঠিককৈ নিদিয়া, তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব—এই কথা ধ্ৰুৱ জানিবা।”

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, “ধনদত্ত আছিল জীৱনৰ ঘাত-প্ৰতিঘাতৰ বিষয়ে এগৰাকী অতি অভিজ্ঞ ব্যক্তি। চন্দ্ৰশেখৰে যে মুদ্ৰা নিদিব — তেওঁ অতি ভালকৈয়েই জানিছিল। তথাপি তেওঁ পুত্ৰ দৈৱদত্তক যে ৰমাকান্ত আৰু বিনয়সেনৰ ঘৰ হৈ চন্দ্ৰশেখৰৰ ওচৰলৈ যাবলৈ কৈছিল— তাৰো কিছু তাৎপৰ্য্য নথকা নহয়। তেওঁৰ দুৰ্দশা যে কিমান প্ৰকট, দুৰাৱস্থা কিমান যে প্ৰকট— ৰমাকান্ত আৰু বিনয়সেনে সেই কথাৰ বুজ পাব বুলিয়েই ধনদত্তই জানিও চন্দ্ৰশেখৰহেন নিম্নশ্ৰেণীৰ মানুহ-জনৰপৰা সহায়তা বিচাৰি দৈৱদত্তক তালৈ পঠাইছিল। তেওঁ ইয়াকে ভাবিছিল যে —তেওঁৰ আদেশ মতে কাম কৰি পুত্ৰই এই কথা শিকক যে— দুঃসময়ত সিহঁতৰ প্ৰকৃত বন্ধু তথা অসময়ৰ বন্ধু কোন আৰু কাৰ বিবেচনাধোধ কেনেকুৱা।”

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ সাউতকৰে পুনৰ সেই গছলৈ উভতি গ'ল আৰু শ'টো সেই তাহানিৰ আওপুৰণি গছজোপাৰ প্ৰকাণ্ড ডাল এটাত পুনৰ ওলোমাই থোৱা হ'ল। [কল্পিত

নগদ নাৰায়ণ

গোপালশৰ্মা মানুহজন আছিল মহাধনী। হ'লে কি হ'ব—তেওঁৰ কিছুমান অতি লেতেৰা অভ্যাসো আছিল অতি বেয়া। ধনী হোৱা সত্বেও আনৰপৰা টকা ধাৰলৈ লৈ সেই ধাৰ পৰিশোধ কৰাৰ সময়ত নানান বাহানাৰে শৰ্মাই অস্বস্তিৰ সৃষ্টি কৰি ৰং চাইছিল। তেওঁৰ কিছুমান লেমটৌ আছিল—যিহঁতৰ কামেই আছিল চাটুৰামী। কেতিয়াবা কেতিয়াবা চাটুৰা-হঁতৰ লাভো নোহোৱাকৈ নাছিল।

এদিনৰ কথা। মিঠাইৰ গোন্ধ পাই গোপাল শৰ্মাৰ মুখৰ ভিতৰফাৰ লালটিৰে পুখুৰীহেন হৈ পৰিল। কিন্তু — লগত যিকিটা আছে—সিহঁতকিটাক এতিয়া খেদিবও নোৱাৰে, নেখেদি খাবও নোৱাৰে, ইপিনে—জিভাইও নামানে।

গোপালশৰ্মাই নাৰায়ণ মিঠাইৰলাক ক'লেগৈ, "কিহে নগদনেৰাইণ, ইমান যে মিঠাইৰ গোন্ধ ওলাইছে খোৱাতবা কেনে?"

"হুজুৰ, খাই চাওকেই, নিজেই গম পাব।" নাৰায়ণে ক'লে।

আৰুনো কি লাগিছে?

লেমটৌকেটাৰে সৈতে গোপালশৰ্মাই মিঠাই খাবলৈ বহি দিলে আৰু আটাই-কেটায়েই দন টানি খাবলৈ ধৰিলে।

টেঁটুলৈকে মিঠাই খাই আৰু লেমটৌ-কিটাকো খুৱাই গোপালশৰ্মাই মিঠাইৰলা নাৰায়ণক ক'লে, "মিঠাইখিনি অতি বঢ়িয়া। হিচাপ কৰা কিমান হ'ল।"

নাৰায়ণে হিচাপ কৰি ক'লে, সৰ্বমুঠ চলিছটকা হ'ল, হুজুৰ!"

গোপালশৰ্মাই টকা উলিয়াবলৈ জেপত হাত ভৰাৰেই শিলৰ মূৰ্তিহেন হৈ ক'লে, "হ'ল আৰু! ইমান যে পাহৰা স্বভাৰ

'নবকুমাৰ'

হৈছে! টকাখিনি আন এটা চোলাত থাকি গ'ল। ঠিক আছে, কোনো চিন্তা নকৰা। আকৌ যিদিনাই এই ফালেদি যাম — মোক মাতি সোঁৱৰাই দিবা, তোমাৰ পাওনাখিনি পাই যাবা।"

এনেকুৱা এটা সন্দেহ নাৰায়ণ মিঠাই-ৱলাৰ মনত আগৰেপৰাই মূৰ দাঙিছিলেই, নাৰায়ণে ভাবিলে যে — কাঁইটেৰেহে কাঁইট উলিয়াব লাগিব। নাৰায়ণে ক'লে, "শৰ্মা ডাঙৰীয়া, আপুনিও কিজানি শুনি আচৰিত হ'ব যে—মই নিজেও পাহৰা ধানৰ ভাত খোৱা স্বভাৱৰ মানুহ। সেই কাৰণে—মই আপোনাৰ নাম আৰু পাওনা টকাখিনিৰ কথা দোকানৰ এই দেৱালত লিখি থ'ম। যেতিয়াই তাত চকু পৰিব, তেতিয়াই মনত পৰিব। কিজানি ময়ো নহ'লে পাওনাৰ কথা একদম পাহৰি থাকিম।"

এই বুলি কৈ ডাঙৰ ডাঙৰ আখৰেৰে দোকানৰ দেৱালত গোপালশৰ্মাৰ নাম আৰু 'পাওনা চল্লিছ (৪০) টকা' বুলি লিখি দিয়াত গোপাল শৰ্মাই ৈক উঠিল, "আৰে ৰে ৰে! এয়ানো কি কথা? এইদৰে মই তোৰ দোকানত পইচা নিদিয়াকৈ খোৱাৰ কথা ঢোলে-দগৰে প্ৰচাৰ কৰি থাকিবিনে তই?"

"তেনেহ'লে কাম এটা কৰক। আপোনাৰ লগুণডালকে দিয়ক, দেৱালৰ এই গজালটোত ওলোমাই থওঁ। লগুণডাল দেখা পাই মোৰো পাওনাৰ কথা মনত পৰিব, লগুণডাল দেখা নাপাই আপোনাৰো পাওনাৰ কথা সদায়েই মনত পৰি থাকিব।" নগদ নাৰায়ণে ক'লে।

গোপালশৰ্মাই ফাই উঠি চোলাৰ ভিতৰজেপৰপৰা টকা উলিয়াই আনি নগদ নাৰায়ণৰ নাকৰ আগত দলিয়াই দি তেওঁৰ চাটুৱা লেমটৌকিটাৰে সৈতে ছুপ দোকানৰপৰা ছুপনি তুলি গুচি গ'ল!

চান্দমামা ক্ৰোড়পত্ৰ-৫৫

ভাৰতৰ পশু-পক্ষী ঃ

সুড়ংগত বাহ সজা চৰাই

গছৰ সলনি মাটিত বাহ সজা চৰাইৰ সংখ্যা তেনেই কম। মাটিত বাহ সজা অন্যতম চৰাই হ'ল মাছৰোকা। মাছৰোকাইতে নৈ-খাল-বিল আনকি ডাঙৰ আকাৰৰ নলা-নৰ্দমাৰ কাষতো বাহ সাজে। এইবোৰৰ কোমাল মাটিত সুৰুঙা খান্দে—মাছৰোকাই প্ৰায় এক মিটাৰলৈ দ' সুৰুঙাও খন্দা দেখা যায়। এইবোৰ সুৰুঙা-বাহ ইমান আহল-বহল হয় যে দেখাত সৰুসুৰা খোটালী যেনেই লাগে। মাছৰোকাই এনেবোৰ বাহ মাৰ্চৰ পৰা জুন মাহৰ ভিতৰত সাজি উলিয়ায়।

পৃথিৱীত এশতকৈও অধিক বিধৰ মাছৰোকা দেখা যায়। অধিক সংখ্যক মাছৰোকাৰ তলৰ ফালে বগা আৰু পিঠিৰ বা গাৰ ফালে নীলা আৰু অন্যান্য ৰঙৰ সংমিশ্ৰণ পৰিলক্ষিত হয়। এইবিধ আকাৰতো অতি সৰু। ইয়াৰ ঠোঁটযুৰি হয় অতি টান আৰু দীঘল। এই দীঘল ঠোঁটেৰে ইহঁতে মাছ' সৰু সৰু বেং, পোক-পৰুৱা আদি ধৰি খায়। প্ৰথমে মূৰৰ ফাল খায়, পাছত অন্যান্য অংশ।

মাছৰোকাইত সাধাৰণতঃ পুখুৰীৰ পাৰত গাছৰ ডালত চিকাৰৰ আশাত বৈ থাকে আৰু পানীৰ ভিতৰত মাছ আদি দেখা পোৱাৰ লগে লগে তীব্ৰ গতিৰে পানীৰ বুকুলৈ জঁপিয়াই পৰি অব্যৰ্থভাবে চিকাৰ ধৰে। হিমালয় পৰ্বতশ্ৰেণীতো কেইবাবিধৰ মাছৰোকা পৰিলক্ষিত হয়। পৰ্বতীয়া মাছৰোকাইত আকাৰত হয় বৃহৎ। সাগৰপৃষ্ঠৰপৰা ৮০০ মিটাৰ উচ্চতাত এনেবিধৰ মাছৰোকা দেখিবলৈ পোৱা যায়।

সাহিত্যৰ দৰ্পণত আজিৰ ভাৰত

পুলৈৰা আছিল এজন গাঁৱলীয়া চঞ্চল ডেকা। পুলৈয়াৰ স্বভাৱ-চৰিত্ৰ অতি ভাল। সি লাঠীখেলৰ যোগেদি ব্যাঘ্ৰ-নৃত্য কৰি ৰাইজৰ মনোৰঞ্জন কৰে।

এনিশা সি এক অদ্ভুত সপোন দেখিলে। সি সপোনত দেখিলে যে—সি কোনোবা এজনীক বিয়া কৰালে, আৰু কিছুদিনৰ অন্তত সি এটি পুত্ৰসন্তান লাভ কৰিলে। সপোনৰ মাজতে তাৰ এই পুত্ৰসন্তানটি ডাঙৰ-দীঘল হ'ল আৰু অতি বাহাদুৰ হ'ল আৰু সি চোৰ ধৰি যশস্যা পোৱা হ'ল, ৰাইজেও তাক বীৰ বুলি ক'লে।

‘পৰাজিত নায়ক’ৰ সপোন দিঠক হ'ল



সপোন—কেৱল সপোন হৈ নাথাকিল। পুলৈয়াই নিজেই চাই-মেলি নিল্লী নামৰ ছোৱালী এজনীক বিয়া কৰালে। লগতে পুলৈয়াৰ কপালো ফুলিল। খেতি-বাতি কৰি পুলৈয়াই জোখে-জোখাৰে ধন পালে। যদিও এই খেতি-মাটি তাৰ নিজৰ নাছিল। গতিকে —সি মাটিৰ মালিকক খেতিৰ ওপজৰ ভাগ দিবলগীয়া হৈছিল।

সপোনত দেখা মতেই—পুলৈয়া এটি পুত্ৰ-সন্তানৰ পিতৃও হ'ল। ল'ৰাটিৰ নাম মল্লু। কিন্তু এসময়ত হঠাৎ পুলৈয়াৰ—কেৱল ভুলৈয়াৰ নহয়—সেই অঞ্চলৰ প্ৰায় সকলোটিৰ অৱস্থা বৰ বেয়া হ'ল। খৰাং বতৰে ধাননি পথাৰ নষ্ট কৰি পেলালে। যিহঁতৰ ধানৰ খেতি কোনো ৰকমে ৰক্ষা পৰিল, সিহঁতৰপৰা দেশৰ চৰকাৰে ধানৰ এভাগ খুজিলে। কিন্তু চৰকাৰৰ এই দাবী পুলৈয়াৰ মনত অনুচিত যেন লাগিল। পুলৈয়াই চৰকাৰৰ এই দাবীৰ বিৰোধিতা কৰাত পুলৈয়াক গ্ৰেপ্তাৰ কৰা হ'ল।

তেতিয়া গাঁৱৰে অন্যতম ধনী মানুহ ৰাজুৱে পুলৈয়াৰ ঘৈণীয়েক নিল্লীক কিছুখিনি টকা দিলে পুলৈয়াক চৰকাৰৰ তথা পুলিছৰ কবলৰপৰা এৰুৱাই আনিবলৈ। কিন্তু

পাছত ৰাজুৱে যি শকত পৰিমাণৰ সুত ল'ব বুলি ক'লে, শুনি নিল্লী-পুলৈয়াই ভেবাচেকা খালে। শেহান্তৰত, সেই বিৰাট পৰিমাণৰ সুতৰ সলনি ৰাজুৱে পুলৈয়াৰ ঘৰটোও ল'লে।

এইবাৰ বাধ্যত পৰি পুলৈয়াই চহৰত কাম-কাজৰ বাবে চেষ্টা কৰিলে, কিন্তু ব্যৰ্থ হ'ল। তাৰ পত্নী-পুত্ৰৰ অৱস্থাও অতি বেয়া হৈ পৰিল। পুলৈয়াই একোপধ্যে ঘৰমন চলাব নোৱৰা হ'ল। আৰু—এনেকুৱা অৱস্থাৰ মাজত পুলৈয়া এদিন এটা চোৰৰ দলত সাঙোৰ খাই পৰিল। এই চোৰৰ দলটোৱে সৰু-সুৰা চুৰি-চাপাচী কৰিছিল আৰু যি পাইছিল ভাগ কৰি লৈছিল। এদিন চোৰৰ দলটোৱে এজন আঢ্যৱন্ত লোকৰ ঘৰত চুৰি কৰিবলৈ গ'ল। কিন্তু গৃহস্থই চোৰবিলাক অহাৰ কথা গম পাই—আন্দাজে-মুন্দাজে বন্দুকেৰে গুলীয়ালে। তেতিয়া চোৰবিলাক দৌৰি পলাল।

এইদিনৰ এই ঘটনাটো পুলৈয়াৰ পুতেক মল্লুৱে দেখা পাইছিল। ৰাতিৰ পৰতে দেউতাক ক'লৈ ওলাই যায়, মনে মনে সেই কথাৰ ভু ল'বলৈ সি তাৰ দেউতাকৰ পিছে পিছে আহি এই ঘটনা দেখা পাইছিল যে—সেই কথা আছিল পুলৈয়াৰ সপোনৰো অগোচৰ।

পুলৈয়া ৰাতিৰ পৰতে ঘৰলৈ উভতি নহাত মল্লুৱে সকলো কথা—সিহঁতৰ ঘৰৰপৰা অলপমান আঁতৰত থকা পুলিছ-থানাত ক'লেগৈ। পুলিছৰ জেৰাৰে জেৰবাৰ হৈ মল্লুৱে চোৰৰ দলটোৰ কথা তথা তাৰ দেউতাকৰ কথাত পুলিছক কৈ দিলে।

পুলিছে এইবাৰ যথেষ্ট দক্ষতা তথা তৎপৰতাৰে চোৰৰ দলটোক, লগতে পুলৈয়াকো ধৰা পেলাব পাৰিলে। আৰু—এইদৰেই পুলৈয়াৰ সপোন দিঠক হ'ল। সপোন দিঠক হোৱাৰ কিমান যে বিচিত্ৰ বিড়ম্বনা!

বি. কণ্ঠাৰাও হ'ল টেলুগু ভাষাৰ ঔপন্যাসিক। তেওঁৰ এইখন উপন্যাসৰ নাম হ'ল 'ভগাপডিনা তম্মডু', অৰ্থাৎ—পৰাজিত নায়ক। এইখন উপন্যাসত অন্ধ্ৰপ্ৰদেশৰ গাঁৱৰ সজীৱ চিত্ৰ অতি জীৱন্ত ভাৱে পৰিলক্ষিত হয়। এই উপন্যাসখন ভালেমান ভাৰতীয় ভাষালৈ অনূদিত হৈছে।

আমি জানো নে?

১. ১২ বছৰৰ বাদে বাদে এবাৰকৈ পালন কৰা ভাৰতীয় উৎসৱৰ নাম?
২. এক পৌৰাণিক প্ৰাণীৰ দেহ মানুহৰ দৰে আৰু উৰ্দ্ধাংশ ঘোঁৰাৰ দৰে। এই প্ৰাণীৰ নাম?
৩. খজুৰাহোৰ বিখ্যাত মন্দিৰসমূহ কোন ঠাইত অৱস্থিত?
৪. ডানিউব নৈ পূৰ্ব ইওৰোপৰ এখন নগৰৰ মাজেদি প্ৰবাহিত হৈছে। নগৰখন কোনখন?
৫. দক্ষিণ ভাৰত চোল ৰাজবংশৰ ৰাজধানীৰ নাম?
৬. দক্ষিণ এছিয়াত এনেকুৱা এখন দেশ আছে যিখন দেশ কদাপি অন্য কোনো জাতিৰ উপনিবেশ হৈ থকা নাছিল। সেই দেশখনৰ নাম?
৭. ভাৰতৰ শেক্সপিয়াৰ বুলি কাক কোৱা হয়?
৮. মহাসাগৰৰ তলত ডুবি থকা আটাইতকৈ উচ্চ পৰ্বতৰ নাম কি? উচ্চতা কিমান?
৯. গ্ৰীনৰ মেগাস্থিনিজক কোনগৰাকী ৰজাই দূত ৰূপে ভাৰতৰ কোনগৰাকী ৰজাৰ ওচৰলৈ প্ৰেৰণ কৰিছিল?
১০. ৰেফ্লেছিয়া ফুলৰ নাম বিখ্যাত কিয়?
১১. আকবৰক পতিৰূপে বৰণ কৰি লোৱা ৰাজপুত ৰাজকুঁৱৰীৰ নাম?
১২. ঘৰুৱা মাখিৰ আয়ুস কিমান?
১৩. আফ্ৰিকামহাদেশৰ আটাইতকৈ ডাঙৰ হ্ৰদৰ নাম কি?
১৪. মানুহৰ লাওখোলাত কিমান হাড় আছে?
১৫. তাহানিৰ পৰ্টুগিজইত যেতিয়া আজিৰ শ্ৰীলংকালৈ আহিছিল, তেতিয়া তেওঁলোকে এই দ্বীপৰ কি নাম দিছিল?
১৬. হিন্দু-পুৰাণত বৰষুণৰ দেৱতাৰ নাম কি?

উত্তৰ

১. কুম্ভমেলা।
২. ছেণ্টৌৰ, গ্ৰিক পুৰাণত উল্লিখিত আছে।
৩. ভাৰতৰ মধ্যপ্ৰদেশত।
৪. বুডাপেস্ট নগৰ।
৫. তানজোৰ।
৬. থাইল্যাণ্ড (শ্যামদেশ)।
৭. কালিদাস।
৮. হাওয়াইস্থিত মৌনাকি পৰ্বত। এই পৰ্বতৰ উচ্চতা ৩২,০০০ ফুট। মাত্ৰ ১৩,৭৮৪ ফুট্ট সাগৰৰ ওপৰত অৱস্থিত।
৯. গ্ৰিক সম্ৰাট ছেলিউকাছ প্ৰথম। চন্দ্ৰগুপ্ত মৌৰ্য্যৰ দৰবাৰলৈ পঠাইছিল।
১০. ইন্দোনে'জিয়াত প্ৰাপ্ত পৃথিৱীৰ আটাইতকৈ বৃহৎ ফুল।
১১. যোধবাঈ।
১২. চাৰি দিন।
১৩. ভিক্টৰিয়া হ্ৰদ (২৭০০০ বৰ্গ-মাইল)। এই হ্ৰদ ইউগাণ্ডা, কেনিয়া আৰু তন্জানিয়াতো বিস্তৃত।
১৪. ২৯ বিধৰ হাড় আছে।
১৫. জিলান। এই নামটিয়েই পাছত ইংৰাজীত 'ছিলোন'লৈ ৰূপান্তৰিত হৈছিল। ১৯৭২ চনত 'শ্ৰীলংকা' নাম হৈছে।
১৬. দেৱৰাজ ইন্দ্ৰ। এওঁৰ বাহন হ'ল ঐৰাৱত।

মুক্তিকামী টকা

বহু কালৰ আগৰ কথা। তেতিয়াৰ কালত কোনোবা এখন নগৰ বীৰভদ্ৰ নামৰ এজন বিখ্যাত কৰাইচ-কিৰ্পিণ মানুহ আছিল।

এদিন বীৰভদ্ৰই ক'ৰবালৈ গৈ থাকোঁতে তেওঁৰ চোলাৰ জেপৰপৰা হঠাৎ কিছুমান ৰূপৰ মুদ্ৰা বাটৰ ওপৰত সিঁচৰতি হৈ পৰিল। বীৰভদ্ৰই এটা এটাকৈ ন'টা মুদ্ৰা বিচাৰি পালে. কিন্তু এটা মুদ্ৰা বহুতোপৰলৈকে বিচাৰি-খোচাৰিও উলিয়াব নোৱাৰিলে।

হতাশ বীৰভদ্ৰই ঘৰলৈ উভতি গৈ এই মহা লোকচানৰ কথাটো পৰিবাৰক কোৱাত পৰিবাৰে ক'লে, "আপুনি কথাটো নগৰৰ ন্যায়াধীশক কওকগৈ, তেতিয়া চাব, কোনোবাই নিশ্চয় মুদ্ৰাটো বুটলি পাই ওভোতাই দিবহি।"

বীৰভদ্ৰৰ হেৰাই যোৱা মুদ্ৰাটো বাগৰি বাগৰি বাটৰ দাঁতিকাষৰীয়া জোপোহাৰ ভিতৰত পৰিছিলগৈ। সাপ-ধৰা মানুহ নাগৰাজে সাপ ধৰিবলৈ এই জোপোহা চলথ কৰি চাওঁতে সেই ৰূপৰ মুদ্ৰাটো পালে আৰু হঠাৎ এটা ৰূপৰ মুদ্ৰা পাই সি সেইদিনা মদ খাবলৈ মন কৰিলে।

"হাৰে নাগৰাজ!" মদৰ দোকানৰ মালিকে নাগৰাজক ক'লে, "তোক কোনো-কাহানিও চেবাপৰ দোকানৰ ছাঁটোকো ডেই যাবলৈ দেখা নাছিলোঁ। দেখোন। তইনো ইয়ালৈ আহিলি কেলেই অ'?"

"কিয় যে আহিলোঁ — ময়ো ক'ব নোৱাৰোঁ। হঠাৎ মদ খাবলৈ মন গ'ল।" নাগৰাজে ৰূপৰ মুদ্ৰাটো মদৰ দোকানৰ মালিকক দিলে আৰু টকাটোৰে মদ

কমলকুমাৰ কাকতি



সেই বুলি এনেবোৰ অন্যায় কৰাত সি নাই।

মদৰ দোকানৰ মালিকে লাহ্‌ হেকৈ ভীমৰ হাতত টকাটো গুজি দিলে। আৰু কি হ'ল কোৱা টান, ভীম পোনে পোনেই সোমনাথৰ ঘৰলৈ গৈ সোমনাথক মাৰি ভৈয়াম কৰিলেগৈ।

সোমনাথে কান্দি ভীমক ক'লে "তুমি মোক অকাৰণে অনিয়ায় ভাবে মাৰিলা, ঈশ্বৰে তোমাক নিশ্চয় দণ্ড দিব।"

তেতিয়া ভয় খাই ভীম পালোৱান মন্দিৰলৈ গ'ল, আৰু সি মন্দিৰৰ পূজাৰীৰ হাতত সেই টকাটো দি ক'লে, "মোৰ নামত ভালকৈ পূজা দিবা, মোৰ সকলো পাপ ধুই মচি নিকা হ'ব লাগে।"

ভীম পালোৱান গুচি যোৱাৰ লগে পূজাৰীয়ে মন্দিৰৰ দুৱাৰ বন্ধ কৰি, সেই টকাটো হাতত লৈ, বাসন্তী নামৰ নটীৰ ঘৰলৈ গৈ তাইৰ মুখৰপৰা গোপাল-কীৰ্তন শুনিব বুলি কৈ, টকাটো তাইৰ হাতত গটাই দিলে।

গোপাল-কীৰ্তন শুনি পূজাৰী গুচি গ'ল, আৰু সেই টকাটোও নোহোৱা হ'ল। কি হ'ল ভাবি ভাবি—বাসন্তীৰ মাকে ন্যায়াধীশৰ ওচৰলৈ গৈ বাসন্তীক গোচৰ দিবলৈ ক'লে।

বাসন্তীয়ে নিজে ন্যায়াধীশৰ ওচৰলৈ

খাই সি পুনৰ খোজ ল'লে।

লগে লগেই ভীম পলোৱান নামৰ নামৰ মালযুজাক এজন তাত সোমালহি। মদৰ দোকানৰ মালিকে ভীমক সৰু সৰু মাতেৰে ক'লে, "শুনা, যেইকোনো মানুহৰ দুই-চাৰি শত্ৰু থাকিবই। সেই ৰামমন্দিৰৰ কাষত থকা সোমনাথ হ'ল মোৰ শত্ৰু। এই ৰূপৰ টকাটো লোৱা আৰু তাক জোখে-জোখাৰে এথেকেচা দিয়াগৈ যোৱা। একেবাৰে বোন্দা থেকেচা দিবা।"

কিন্তু অবাবতে কাকো মাৰ-পিট কৰাৰ মন ভীমৰ নাই। মালযুঁজ প্ৰদৰ্শন কৰি, বা শিকাই সি পেট-প্ৰৱৰ্তায় ঠিক্‌কেই, কিন্তু

নগ'ল, কিন্তু চাকৰ এটাক তালৈ পঠালে আৰু সিহঁতৰ ঘৰৰ কাম-বন কৰা গৌৰী নামৰ মানুহজনীয়ে টকাটো চুৰি কৰিলে বুলি গোচৰ তৰিলে।

ন্যায়াধীশে গৌৰীক মতাই অনালে, আৰু জেৰাৰ ফলত জেৰবাৰ হৈ গৌৰীয়ে ভয় খাই টকাটো চুৰি কৰাৰ কথা স্বীকাৰো কৰিলে। কিয়নো — ইয়াৰ আগতে গৌৰীয়ে কেতিয়াও ক'তো একো চুৰি-তাৰি কৰা নাছিল।

ন্যায়াধীশে বাসন্তীক ক'লে, "শুনা, গৌৰীক মই আন কোনো দণ্ড নিদিওঁ। তাইক কামৰপৰা খেদি দিয়া, সেয়ে তাইৰ পক্ষে যথেষ্ট দণ্ড হ'ব।"

"কিন্তু সেই টকাটো মোক লাগে। কিয়নো—সেই টকাটো আমাৰ মন্দিৰৰ পূজাৰীয়ে দিয়া টকা। পূজাৰী এইবাৰেই মাত্র মোক ঘৰলৈ গৈছিল আৰু গীত শুনাৰ বাবে মোক টকা এটা দিছিল।"

ন্যায়াধীশে ৰামমন্দিৰৰ -পূজাৰীকো মতাই অনালে। পূজাৰীয়ে ন্যায়াধীশৰ জেৰাৰ উত্তৰত ক'লে যে—ভীম পলোৱানে সেই ৰূপৰ টকাটো তেওঁক দিছিল তাৰ নামত পূজা দিবলৈ। পূজাৰীয়ে পুনৰ ক'লে, "এই ৰূপৰ টকাটোৰ বিশেষ বিশেষত্ব যে কি—মই একোৱেই বুজা নাই। কিন্তু টকাটো হাতত লোৱাৰ লগে লগেই জীৱনতো ইচ্ছা নোহোৱা কামলৈ



ইচ্ছা জাগিছিল !"

এইদৰে, একে একে সুধি-পুছি উত্তৰ-প্ৰত্যুত্তৰ শুনি শেষত নাগৰাজকো মতাই অনা হ'ল ন্যায়াধীশে।

নাগৰাজৰ কথা শুনি ন্যায়াধীশ গভীৰ চিন্তাত পৰিল, এই ৰূপৰ টকাটো প্ৰকৃততে কি ? আৰু—কাৰ ?

তিমানতে তাত বীৰভদ্ৰ আৰু দুখীয়া হালোৱা এজনো আহিল। হালোৱাই উচুপি উচুপি ক'লে যে—তাৰ এটা টকা হেৰাল। লগতে বীৰভদ্ৰয়ো ন্যায়াধীশক ক'লে যে তাৰো টকা এটা হেৰাল।

ন্যায়াধীশে দুখীয়া হালোৱাজনৰ পিনে সহানুভূতিৰ দৃষ্টিৰে চাই তাক ক'লে, "তোমাৰ ভাগ্য ভালেই। টকা এটা মই পালোঁ। কিন্তু টকাটো বীৰভদ্ৰৰ টকা।" ন্যায়াধীশে বীৰভদ্ৰক টকাটো দিলে।

দুখীয়া হালোৱাজনে আচৰিত মানি ন্যায়াধীশক সুধিলে, "এই টকাটো মোৰ নহয় বুলি আপুনি কেনেকৈ কৈছে—দেউতা ? আৰু — টকাটো বীৰভদ্ৰৰ বুলিওবা কৈছে কেনেকৈ বুজা নাই মই।"

হালোৱাৰ কথাত ন্যায়াধীশে হাঁহি মাৰি ক'লে, "শুনা, এই টকাটো বীৰভদ্ৰৰ হ'ব লাগে। বীৰভদ্ৰই টকাবোৰক তাৰ চন্দুকত বন্দী কৰি থয়। মাত্ৰ এটা টকাই তাৰ কাৰাগাৰৰূপী চন্দুকৰপৰা কেনেবাকৈ ওলাই আহি মুক্তিৰ সোৱাদ লৈছিল অলপ। মুক্তিকামী এই টকাটো যাৰ হাতত পৰিছিল, গতিকে এইটো যে কিৰ্পিণৰ ধন—তাৰ প্ৰমাণ লাগিবনে ?"

ন্যায়াধীশৰ কথা শুনি তাত উপস্থিত থকা সকলোটিয়েই হাঁহি উঠিল।

হঠাৎ বীৰভদ্ৰৰ মাজত এক বিৰাট পৰিৱৰ্তনৰ সৃষ্টি হ'ল। সি সেই টকাটো দুখীয়া হালোৱাক দিলে আৰু সেই ঘটনাৰ পাছৰপৰা তাৰ সাঁচতীয়া ধন সমাজৰ মংগলৰ কামত ব্যয় কৰিবলৈ ধৰিলে।



জনাৰ উপায়

জগন্নাথপুৰ গাঁৱত মহোদৰ নামৰ এজন পুৰোহিত আছিল। তেওঁৰ আছিল মাত্ৰ একেজনী ছোৱালী। সেইহে, তেওঁ ভৈৰৱ নামৰ মাতৃ-পিতৃহীন ল'ৰা এটিক তোলনীয়া-পো হিচাপে লৈ, ডাঙৰ-দীঘল কৰি, পুৰোহিতৰ কাম-কাজ শিকালে।

এদিন মহোদৰ পুৰোহিতৰ পুৰণি পঞ্জিকা এখনৰ প্ৰয়োজন হোৱাত পঞ্জিকা বিচাৰোঁতে আন এখন মহামূল্য গ্ৰন্থৰ ওপৰত মহোদৰৰ চকু পৰিল। সেই গ্ৰন্থখন হ'ল এখন চিকিৎসা-বিধি লিখিত থকা আয়ুৰ্বেদ-গ্ৰন্থ।

এই গ্ৰন্থখন চাই মহোদৰৰ পৰিবাৰে বৰ ভাল পালে আৰু ক'লে, "বৰ ভাল কথা হ'ল। ঈশ্বৰেই আমাক কৃপা কৰিলে। যমৰ ঘৰলৈ ওলোৱা মৃত্যুমুখী বেমাৰীকো আপুনি লাগিলে আনকি কালিলৈৰেপৰাই বেমাৰীৰ চিকিৎসা কৰিব পাৰিব এইখন আয়ুৰ্বেদ গ্ৰন্থৰ সহায়ত। এনেবোৰ মৰিবলৈ ওলোৱাহঁতক কেনেবাকৈ জীয়াই তুলিব পৰা হ'লে জোখে-জোখাৰে ধন পোৱা যাব। নহ'লেও—গো-দান পাবই পাব। কিয়নো—আপুনি হ'ল পুৰোহিত। বেমাৰী বাঁচকেই বা মৰকেই বা হুজকেই আমাৰ কোনোপিনেই লোচকান নাই, লাভেই লাভ। গতিকে—পুৰোহিতালিৰ লগত বেজালিতো ধৰিলে আমাৰ ভাল।"

পৰিবাৰৰ কথাত মহোদৰ-পুৰোহিতে ভালেই পালে। কিন্তু কথা হ'ল—কোনোবা পুৰোহিতে হঠাৎ বেজালিত ধৰিলে ৰাইজৰ বিশ্বাস হ'ব জানো সেই বেজত? গতিকে—এই কামটি ভৈৰৱৰ-

অবন্তী লহকৰ



মহোদৰক ক'লেহি, "আমাৰ গাঁওবুঢ়াৰ মাত-বোল বন্ধ হৈ গ'ল। আৰু ঠিক এই সময়ত আমাৰ গাঁৱৰ ডাঙৰ চিকিৎসক গৰুড়াচাৰী ডাঙৰীয়া গাঁৱত নাই, ক'ৰবালৈ গৈছে। গতিকে—আমাৰ গিৰস্তনীৰ ইচ্ছা যে—ভৈৰৱ দাদায়েই গাঁওবুঢ়াৰ চিকিৎসা কৰকহি।"

কাম কৰা মানুহটোৰপৰা মহোদৰে গাঁওবুঢ়াৰ বেমাৰৰ বা-বিবৰণ জানি ল'লে আৰু ঘৰ পাই সেই চিকিৎসা-গ্ৰন্থখন মেলি ল'লে। পঢ়ি থাকোঁতে পালে এঠাইত এই বিধ বেমাৰৰ দৰবৰ সুং-সূত্ৰ। নাৰিকলৰ পানী আৰু লগতে নিম ফলৰ ভিতৰত থকা মিঠা শাহ খোৱাৰ লগে লগে পাণ-তামোল খালে এনেকুৱা বিপত্তি হ'ব পাৰে—বিষক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে। ইয়াৰ চিকিৎসা কি—তাকো আয়ুৰ্বেদ গ্ৰন্থৰ পৰা পোৱা হ'ল। তাৰ পাছত শিৰীষ পুষ্পৰ পাপৰিৰে ঔষধ প্ৰস্তুত কৰি মহোদৰে ভৈৰৱক সকলো কথা বুজাই কৈ গাঁৱৰ মান্য-গণ্য বেমাৰী গাঁওবুঢ়াৰ ওচৰলৈ যাবলৈ সাজু হ'বলৈ ক'লে।

মহোদৰে ভৈৰৱক ক'লে, "জীৱনত এনেকুৱা সময় আহে—যেতিয়া সকলো কথাতে লাভেই লাভ—লো ছুলেও সোণ

দ্বাৰাহে কৰোৱা যাওক। মহোদৰে ভাবিলে। সেই দিনাই মহোদৰ-পুৰোহিতে কথাখিনি ভৈৰৱক বুজাই ক'লে। আৰু—ভৈৰৱেও এই অভিনৱ চিকিৎসাৰ কামত মনপুতিয়েই ধৰিলে।

চাওঁতে চাওঁতে—ক'বলৈ গ'লে কেদিনমানৰ মাজতেই ভৈৰৱ হৈ উঠিল সকসুৱা চিকিৎসক। মহোদৰ-পুৰোহিতে যেনেকৈ যি কৰিবলৈ কয়, সি ভৈৰৱে তেনেকৈয়েই কৰে। ভৈৰৱে বিপদ নথকা বেমাৰীবিলাককহে ধৰে, যেনে জ্বৰ-কাহ, মূৰ-ঘূৰণি, পানীলগা, খহু ইত্যাদি।

এদিন কামকৰা মানুহ এটাই

হৈ যায়। তোমাৰ জীৱনতো সেই সময় আহিল। এই দেৱাই গাঁওবুঢ়াক খুৱাই ভাল কৰি তুলিলেই তোমাৰ নাম-যহ একেবাৰে বৈ বৈ যাব!"

তাৰ পাছত মহোদৰ আৰু ভৈৰৱ—দুয়ো গাঁওবুঢ়াৰ ঘৰলৈ গ'ল। তেতিয়া তাত থকা বুঢ়া মানুহ এজনে ভৈৰৱক ক'লে, "আমাৰ চিকিৎসক ডাঙৰীয়া—কবিৰাজ গৰুড়াচাৰী গাঁৱত নাছিল বুলিহে ভৈৰৱ-বোপাক মতাই অনোৱা হৈছে। এওঁৰ চিকিচ্ছাৰ গুণত যদি গাঁওবুঢ়া ভাল হৈ উঠে, তেনেহ'লে বোপাকো যথা-যুইগ্য মাননী দিয়া যাব, নহ'লেও মহোদৰে গো-দান পাব। বোপা, ভালকৈ চিকিচ্ছা কৰা। যদিও—আয়ুস নথকা হ'লে স্বয়ং ধন্বন্তৰীয়েও একো কৰিব নোৱাৰে।"

ভৈৰৱে নিজ হাতেৰে গাঁওবুঢ়াক ঔষধ খুৱাই দিলে আৰু তাত থকা মানুহ খিনিয়ে যেনিবা জীৱনত প্ৰথম বাৰৰ বাবে এনেহেন কাণ্ড এটি দেখিলে।

অলপ সময়ৰ পাছত গাঁওবুঢ়া বিছনাৰ ওপৰত উঠি বহিল, আৰু তাৰ পাছত বিছনাৰপৰা নামি থিয় হ'ল। আৰু—মৃত্যুমুখী গাঁওবুঢ়াই যেতিয়া এখোজ-দুখোজকৈ খোজ কাঢ়ি থাকিল, তেতিয়া তাত উপস্থিত থকাখিনিৰ বিস্ময়ৰ পাৰ নোহোৱা হ'ল।

এই ঘটনাৰ ফলত চিকিৎসক হিচাপে ভৈৰৱৰ নাম দহোখন গাঁৱত বিয়পি পৰিল। মৰিবলৈ ওলোৱা গাঁওবুঢ়াক যমৰ গৰাহৰপৰা ফিৰাই অনা বুলি ভৈৰৱৰ নাম প্ৰচাৰিত হ'ল। কথাটোৱে গৈ গৈ জমিদাৰ ডাঙৰীয়াৰো কাণ ছুলেগৈ। জমিদাৰ ডাঙৰীয়াই তেওঁৰ পাৰিবাৰিক চিকিৎসকগৰাকীক এনে আচৰিত চিকিৎসাৰ ঘটনাটোৰ কথা কোৱাত চিকিৎসক অশ্বিনীগুপ্তই ভৈৰৱক মতাই অনাই ভৈৰৱৰ মুখৰপৰা এই আশ্চৰ্য্য চিকিৎসাবিধিৰ বিষয়ে খৰচি মাৰি জানি ল'লে আৰু ঘটনাৰ বুজ পালে।

কবিৰাজ অশ্বিনীগুপ্তই অভ্ৰান্তভাৱে বুজি পালে যে—এনে সাতিশয় বিস্ময়কৰ চিকিৎসা-পদ্ধতিৰ গুৰিকথা হ'ল সেই পুৰণিদিনীয়া আয়ুৰ্বেদ-গ্ৰন্থ।

তেতিয়া তেওঁ ভৈৰৱক ক'লে, "বোপা যেইকোনো বিদ্যা গুৰুৰপৰা শিক্ষা গ্ৰহণ নকৰিলে সেই শিক্ষা অসম্পূৰ্ণ থাকি যায়। তোমালোকৰ ঘৰত থকা সেই আয়ুৰ্বেদ-গ্ৰন্থই তোমাক যি জ্ঞান দিলে—সেই জ্ঞান নিষ্ফল বুলি মই কোৱা নাই। কিন্তু তুমি সদায় এইদৰে গ্ৰন্থ পাঠ কৰি কৰি চিকিৎসা কৰিব নোৱাৰিবা, তুমি মোৰ ওচৰত আয়ুৰ্বেদ শিক্ষা কৰা, আৰু তাৰ পাছত সৌবোৰ মহৎ কিন্তু জটিল গ্ৰন্থবোৰ অধ্যয়ন কৰা। তেতিয়াহে তুমি চিকিৎসা-বিদ্যাত প্ৰকৃত সুফল পাবা। প্ৰকৃতপক্ষে —জনাৰ এয়েহে উপায়।"

কবিৰত্ন-কবিৰাজ অশ্বিনীগুপ্তৰ কথা তথা পৰামৰ্শ শুনি ভৈৰৱে ভালেই পালে! ভৈৰৱে কবিৰাজ অশ্বিনীগুপ্তৰ ওচৰত আয়ুৰ্বেদ শাস্ত্ৰ শিক্ষা কৰি আগলৈ অতি যশস্বী তথা লোক-কল্যাণকাৰী চিকিৎসক-ৰূপে খ্যাত হৈছিল আৰু মহোদৰ-পুৰোহিতৰ জীয়েক মহিমাক বিয়া কৰা এক সুখী জীৱন যাপন কৰিছিল।

৩৬

শ্ৰীৰামচন্দ্ৰ আৰু মহাৰাজ ৰাৱণৰ মাজত হোৱা ভয়ংকৰতম যুদ্ধৰ ৰূপ দেখি বিস্ময়াভিভূত হৈ হতবাক হোৱা দেৱ-দেৱী, যক্ষ, কিন্নৰ, কিংপুৰুষ আৰু গন্ধৰ্ব সকল যুদ্ধৰ অন্ত পৰাত অৱশেষত ৰামচন্দ্ৰৰ গুণানুকীৰ্তন কৰি কৰি একে একে আৰু অতি সুশৃংখলভাৱে স্বস্থানলৈ গমন কৰি থাকিল।

তাৰ পাছত শ্ৰীৰামচন্দ্ৰই যথোচিত ভাৱে মাতলীক আদৰ-সাদৰ কৰি তেওঁৰ ৰথৰে সৈতে তেওঁক তেওঁৰ বাসস্থান স্বৰ্গলোকলৈ প্ৰেৰণ কৰিলে।

এইবাৰ লক্ষ্মণ আৰু সুগ্ৰীৱক লগত লৈ ৰামচন্দ্ৰ নিজ তম্বুলৈ বুলি খোজ ল'লে। তালৈ গৈ ৰামচন্দ্ৰই তেওঁৰ অনুজ লক্ষ্মণক ক'লে, “হে লক্ষ্মণ, এইবাৰ বিভীষণৰ ৰাজ্যাভিষেক কৰাটো হ'ল আমাৰ পক্ষে এক অৱশ্য-কৰ্তব্য। তুমি বিভীষণৰ ৰাজ্যাভিষেকৰ বাবে সৰ্বপ্ৰকাৰৰ প্ৰস্তুতি সোনকালে কৰি দিয়া।”

লক্ষ্মণে তৎক্ষণাৎ স্বৰ্ণকলস প্ৰদান কৰি বানৰহঁতৰদ্বাৰাই স্বৰ্ণকলস ভৰাই সমুদ্ৰজল আনয়ন কৰিলে আৰু ৰাজতিলক পিন্ধাৰৰ তথা ৰাজ্যাভিষেক কৰাৰ বাবে অন্যান্য দ্ৰব্য-সামগ্ৰীও অনালে।

তাৰ পাছত আৰম্ভ হ'ল বিভীষণৰ ৰাজ্যাভিষেকৰ বাবে বিভিন্ন বিধৰ বিচিত্ৰ বিচিত্ৰ ৰাজকীয় প্ৰক্ৰিয়া।

‘বিভীষণৰ ৰাজ্যাভিষেক’



আৰু লক্ষ্মণলৈ অনেক মূল্যৱান উপহাৰ নিবেদন কৰিলে। যদিও এইবোৰ উপহাৰ ৰাম-লক্ষ্মণৰ বাবে আছিল তেনেই অকিঞ্চিৎকৰ, তথাপি তেওঁলোকে বিভিষণ-প্ৰদত্ত এইবোৰ উপহাৰ স্বচ্ছন্দ চিত্তে গ্ৰহণ কৰিলে।

তাৰ পাছত শ্ৰীৰামচন্দ্ৰই তেওঁৰ নিচেই কাষতে হাত যোৰ কৰি বিশাল এক পৰ্বতসম থিয় হৈ থকা হনুমানলৈ চাই ক'লে, "হে হনুমান! ৰাক্ষসৰাজ বিভীষণৰপৰা অনুমতি গ্ৰহণ কৰি তুমি সীতাৰ ওচৰলৈ যোৱা আৰু সীতাক কোৱাগৈ যে ভূতপূৰ্ব লংকাধিপতি ৰাৱণক সংহাৰ কৰি লক্ষ্মণ আৰু সুগ্ৰীৱৰ সৈতে মই ইয়াতে আছোঁহি। আৰু—প্ৰত্যুত্তৰত সীতাই যি ক'ব—শীঘ্ৰে উভতি আহি সেই কথাখিনিও মোক অসংকোচে ক'বাহি।"

হনুমান তৎক্ষণাৎ সীতাৰ ওচৰলৈ গ'ল আৰু নমস্কাৰান্তে সীতাৰ ওচৰত আত্ম-পৰিচয় প্ৰদান কৰিলে। হনুমানক দেখি আৰু হনুমানৰ কথা শুনি সীতাদেৱীৰ মুখ-চকুত এক পাব ওপোচা নিৰমল আনন্দৰ হিল্লোল বৈ গ'ল। হনুমানে সীতাদেৱীক প্ৰণাম কৰাৰ অন্তত কৈ থাকিল :

'হে মাতা! শ্ৰীৰামচন্দ্ৰ কুশলতে

বিভীষণৰ মন্ত্ৰিগণে আৰু বিভীষণক মৰম-শ্ৰদ্ধা কৰা কিছুমান ৰাক্ষসেও লংকাৰ নতুন মহাৰাজ বিভীষণৰ নামত জয়ধ্বনি দিলে। মহাৰাজ বিভীষণে প্ৰতিশ্ৰুতি দিলে : স্বৰ্ণলংকাৰ আগৰ ৰূপ তথা অৱস্থা ঘূৰাই আনি তেওঁ জাতি-ধৰ্ম নিৰ্বিশেষে প্ৰজাবৰ্গৰ সুখ-শান্তি যিমানলৈকে সম্ভৱ—বিধান কৰিব।

তেতিয়া কিছু সংখ্যক বিশিষ্ট ৰাক্ষস নাগৰিকে মহাৰাজ বিভীষণলৈ বহু ধৰণৰ মূল্যৱান উপহাৰ আগবঢ়ালে। বিভীষণেও তেওঁৰ অপাৰ কৃতজ্ঞতা প্ৰকাশৰ বাবে বিভিন্নজনলৈ, আৰু বিশেষকৈ ৰামচন্দ্ৰ



আছে। তেওঁ বিভীষণ আৰু সুগ্ৰীৱৰ সৈতে বানৰসেনা-পৰিবৃত হৈ জিৰণি লৈছে। শত্ৰুক সংহাৰ কৰাৰ অন্তত তেওঁ মোৰ যোগেদি আপোনালৈ এই সমাচাৰ প্ৰেৰণ কৰিছে যেঃ ৰাৱণবধৰ লক্ষ্য পূৰণাৰ্থে তেওঁ বিভীষণৰ, বানৰসেনাৰপৰা অপৰিমেয় সহায়তা লাভ কৰাৰ উপৰিও অচঞ্চল নৈতিক বল লাভ কৰিছিল। শ্ৰীৰামচন্দ্ৰই, হে মাতা, আপোনাৰ কুশল-মংগল জানিবলৈ উদ্‌গ্ৰীৱ হৈ আছে। এতিয়া আৰু অত্যাচাৰী ৰাৱণৰ ভয়ত ভীত হোৱাৰ কোনো আৱশ্যকতা নাই। হে মাতৃ! আপোনাৰ কুশল-বাতৰি সোধাৰ বাবে নতুন স্বৰ্ণলংকাধিপতি বিভীষণ অনতিপলমে ইয়ালৈ অৰ্থাৎ আপোনাৰ সন্দৰ্শনলৈ আহি পাবহি।"

হনুমানৰ মুখে এনেবোৰ কথা শুনি সীতাদেৱী অতি আনন্দিতা হ'ল, কিন্তু তেওঁ কোনো উত্তৰ নিদিলে। তেতিয়া হনুমানে সুধিলে, "মা! আপুনি কি কথা চিন্তা কৰিছে? মোৰ এই বাৰ্তাৰ কিবা নহয় কিবা উত্তৰ মই কঢ়িয়াই লৈ যাব লাগিব। আপুনি যদি মৌন হৈ থাকে— সেই উত্তৰ কেনেকৈ পাম?"

তেতিয়া সীতাদেৱীয়ে কঁপা কঁপা মাতেৰে হনুমানক ক'লে, "মোৰ পতি-দেৱতাৰ বিজয়ৰ বাতৰি শুনি মই আনন্দত আপ্লুত হৈছে। সেই কাৰণে, ইমানপৰে আবেগবিহ্বল অৱস্থা হৈ থকাৰ কাৰণেই মোৰ মুখৰপৰা মাত নোলোৱা হৈছিল। আৰু—তোমাৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ ভাষা মোৰ অজ্ঞাত। তোমালৈ জগতৰ যেইকোনো উপহাৰেই মূল্যহীন। ত্ৰিলোকতো তোমালৈ যাচিবপৰা উপহাৰ বিচাৰি পাবলৈ নাই। গতিকে—"

আত্মপ্ৰশংসা শ্ৰৱণ কৰি নিৰতিশয় লজ্জিত হৈ, অৱনতমস্তক হনুমানে সীতাদেৱীক ক'লে, "হে মাতা! তোমাৰ ওপৰত অত্যাচাৰকাৰিণী ৰাক্ষসীহঁতক—

আমি কিবা দণ্ড দিমনে ? তুমি তোমাৰ শ্ৰীমুখৰপৰা এবাৰমাত্ৰ ক'লেই—"

"হে হনুমান !" তোমাৰ সীতাদেৱীয়ে হনুমানক ক'লে, "সেই অত্যাচাৰকাৰিণী ৰাক্ষসীহঁত আছিল মহাদুষ্ট ৰাৱণৰ পৰিচাৰিকা। কিন্তু সেই সামান্য পৰিচাৰিকাহঁতে নিজ ইচ্ছাৰে একোৱেই কৰা নাছিল, ৰজাই যি আদেশ যেনেকৈ পালন কৰিবলৈ কৈছিল, সেই আদেশ তেনেকৈ পালন কৰিছিল। গতিকে—সেই আজ্ঞাবহ দাসীহঁতৰ ওপৰত ক্ৰোধ প্ৰকাশ কৰাত কোনো মহত্ব নাই। সিহঁতৰ প্ৰতি মোৰ অন্তৰত কোনো কুভাব বা প্ৰতিশোধাত্মক ভাব নাই। কিয়নো, মোৰ পূৰ্বজন্মৰ কোনোবা পাপৰ বাবেই মোৰ এই অভাৱিত দণ্ড প্ৰাপ্তি হৈছে বুলি মোৰ স্থিৰ বিশ্বাস হৈছে। যদি ৰাক্ষসী দাসীহঁতে নিজ বুদ্ধিৰেও মোৰ ওপৰত অত্যাচাৰ কৰিছিল, তথাপি মই সিহঁতক কোনো প্ৰকাৰৰ দণ্ডবিধান কৰাত পৰামৰ্শ প্ৰদান নকৰিম।"

হনুমানে সীতাদেৱীৰ এই মনোভাৱৰ ভূৰি ভূৰি প্ৰশংসা কৰিলে আৰু ক'লে, "হে মোৰ মাতা ! সকলো ফালৰেপৰাই আপুনি আমাৰ প্ৰভু শ্ৰীৰামচন্দ্ৰৰ যোগ্য পত্নী। যি কি নহওক, এতিয়া আমাৰ প্ৰভু শ্ৰীৰামচন্দ্ৰলৈ বাৰ্তা প্ৰেৰণান্তে মোক বিদায় দিয়ক, মা !"

"মই যথাশীঘ্ৰে পতি-সন্দৰ্শনলৈ বিয়াকুল হৈ আছোঁ।" সীতাদেৱীয়ে ক'লে।

এই বাৰ্তা কঢ়িয়াই লৈ হনুমান ৰামচন্দ্ৰৰ ওচৰলৈ উভতি গ'ল।

হনুমানে ৰামচন্দ্ৰক ক'লে, "মই সীতামাতাৰ দৰ্শনলাভ কৰিলোঁ, তেওঁ মোক চিনি পাইছিল, এইবাৰো চিনিব পাইছে। আমাৰ বিজয়ৰ কথা শুনি তেওঁ আনন্দত আপ্লুত হৈছে। তেওঁ মোৰ হতুৱা আপোনালৈ এই বাতৰি পঠাইছে : 'মই যথাশীঘ্ৰে পতি-সন্দৰ্শনলৈ বিয়াকুল হৈ

আছোঁ। এহি বাৰ্তা কঢ়িয়াই লৈ মই উভতি আহিছোঁ।”

হনুমানৰ কথা শুনি শ্ৰীৰামচন্দ্ৰ কিছু সময়লৈ মৌন হৈ থাকিল। তেওঁৰ চকুযুৰি সেমেকি উঠিল। তেওঁ হনুমানক ক'লে, “ইমানদিন ধৰি দুষ্ট ৰাৱণৰ গৃহত অতিবাহিত কৰা সত্বেও মই যদি সীতাক এতিয়াই পুনৰ আদৰি লওঁ—নিশ্চয় জগতে মোক নিন্দিব। কিন্তু জানি-বুজিও নিৰ্দোষী সীতাক পৰিত্যাগ কৰিলেও মোক পাপে স্পৰ্শ কৰিব। এতিয়া মই কি যে কৰোঁ—ভাবি উলিয়াবপৰা নাই।”

ক্ষন্তেকমানৰ পাছত ৰামচন্দ্ৰই বিভীষণক ক'লে, “বিভীষণ! তুমি সীতাৰ ওচৰলৈ যোৱা আৰু সীতাক পৱিত্ৰ পৰিমলজলেৰে ধৌত কৰি অৰ্থাৎ পৱিত্ৰ পানীৰে স্নান কৰণান্তে চন্দন-লেপন কৰি স্বৰ্ণ-আভূষণেৰে সুসজ্জিত কৰি ইয়ালৈ লৈ আহাঁগৈ।”

বিভীষণ তৎক্ষণাৎ লংকানগৰীলৈ ৰাওনা হ'ল আৰু ৰাজপ্ৰাসাদৰ অন্তেষপুৰৰ নাৰী-কেইগৰাকীমানক সীতাৰ ওচৰলৈ প্ৰেৰণ কৰি সীতাদেৱীক লৈ আহিবলৈ ক'লে। বিভীষণে সীতাদেৱীক কৈ পঠালে যে পতি শ্ৰীৰামচন্দ্ৰই তেওঁৰ আগমনলৈ বাট চাই বৈ আছে, গতিকে—নিজক সুসজ্জিত



কৰি তেওঁ অনতিপলমে ইয়ালৈ আহক।

সীতাদেৱীয়ে বিভীষণে প্ৰেৰণ কৰা নাৰীকেইগৰাকীক ক'লে যে তেওঁ যি অৱস্থাত আছে, পতি-সন্দৰ্শনলৈ সেই অৱস্থাতে পতিৰ ওচৰলৈ যাব তেওঁ। তেতিয়া ৰামচন্দ্ৰই বিভীষণক কোৱা কথাখিনি বিভীষণে সীতাদেৱীক ক'লে আৰু সীতাদেৱীয়ে শ্ৰীৰামচন্দ্ৰৰ কথামতে কাৰ্য্য কৰিলে।

বিভীষণে সীতাদেৱীৰ অংগস্নানৰ বাবে সুচাৰু বন্দৰস্ত কৰি দিলে আৰু তাৰপাছত সুসজ্জিত-সুশোভিত হোৱাৰ বাবেও যথোচিত দ্ৰব্য-সামগ্ৰী দিয়াৰ ব্যৱস্থা

কৰিলে। আৰু তাৰ পাছত, কিছুমান ৰাক্ষস বীৰৰ প্ৰহৰাৰ মাজত সীতাদেৱীয়ে তেওঁৰ পতি-সন্দৰ্শনলৈ যাত্ৰা কৰিলে।

সীতাদেৱী যেতিয়া ৰামচন্দ্ৰৰ সান্নিধান পালেগৈ, তেতিয়া বিভীষণে ৰামচন্দ্ৰক ক'লে, "আপোনাৰ আজ্ঞানুসাৰে মই সীতাদেৱীক ইয়ালৈ লৈ আহিলোঁ।"

শ্ৰীৰামচন্দ্ৰ উদাস-বিসন্ন দৃষ্টিৰে তাত নিমাত-নিবোল হৈ বহি আছিল। তেওঁৰ হিয়া-মনত তেতিয়া বিভিন্ন ভাৱৰ উদয় হৈ আছিল। ইমান দিনৰ অন্তত সীতাক দেখা পাম বুলি ভাবি তেওঁ যথেষ্ট আনন্দ অনুভৱ কৰি আছিল ; কিন্তু জগতৰ নিন্দা সহিব নোৱাৰি তেওঁ যদি সীতাক ত্যাগিব-লগীয়া হয়— তেতিয়া তেওঁৰ মানসিক অৱস্থা কি হ'ব--সেই কথা ভাবিও তেওঁ যথেষ্ট কাতৰ হৈ পৰিছিল। গতিকে,সীতাৰ সৈতে সাক্ষাৎমাত্ৰেই সকলো আগৰ দৰে হৈ পৰাৰ আশা তেওঁৰ অন্তৰৰ পৰা তিৰোহিত হৈছিল।

শ্ৰীৰামচন্দ্ৰই বিভীষণক ক'লে, "সীতাক মোৰ সমুখলৈ লৈ আহাঁ।"

বিভীষণে সেই ঠাইৰপৰা বানৰ, ভল্লুকাদিক খেদিবলৈ ধৰাত ৰামচন্দ্ৰই বিভীষণক ক'লে, "এওঁলোক আমাৰ পৰ নহয়, ঘৰৰহে। সীতাক এওঁলোকেও দেখাত পূৰ্ণ অধিকাৰী। এই কথাও কোন দোষ নেদেখোঁ।"

ৰামচন্দ্ৰৰ কথা শুনি বিভীষণ লজ্জিত তথা অনুতপ্তো হ'ল। তেওঁ তৎমুহূৰ্ততেই সীতাক শ্ৰীৰামচন্দ্ৰৰ ওচৰত লৈ আহিল।

শ্ৰীৰামচন্দ্ৰৰ কথাখিনি শুনি থকা লক্ষ্মণ আৰু সুগ্ৰীৱৰ মনত এই ভাৱৰ উদয় হ'ল যে—সীতাদেৱীৰ প্ৰতি শ্ৰীৰামচন্দ্ৰৰ আগৰ প্ৰেম আৰু নাই। এই কথা ভাবি— দুয়োজনেই বেদনা বোধ কৰিলে।

ৰামচন্দ্ৰই সীতাৰ বিষয়ে এষাৰি কথাও নোকোৱাত পতি-পৰায়ণা সীতাৰ মনত অপাৰ দুখৰ ঢৌ ওফন্দি উঠিল।



সীতা যে দুঃখিতা হৈছে, সেই কথা উপলব্ধি কৰি ৰামচন্দ্ৰৰ মনত কিঞ্চিত ক্ৰোধ তথা উষ্মাৰহে সৃষ্টি হ'ল। ৰামচন্দ্ৰই কৈ থাকিল, "সীতা, মোৰ প্ৰতি দুৰ্যোৰ অপমানৰ প্ৰতিশোধ ল'বলৈহে মই এতবোৰ ঘটনা ঘটালোঁ। কিন্তু এইবোৰ ঘটনা যে তোমাৰ কাৰণে ঘটোৱা নাই—সেই কথা তুমি মনত ৰাখিবা। সদাচাৰৰ প্ৰশ্নত তুমি অপাঙক্তেয়া হৈ আছা। বহু দিন ধৰি পৰ-পুৰুষৰ গৃহত থকা নিজৰ পত্নীক জগতৰ কোনোবা পুৰুষে স্বীকাৰ কৰি ল'ব পাৰেনে? তুমি ৰাৱণৰ প্ৰাসাদ-গণ্ডিৰপৰা ওলাই আহিছা। তোমাৰ মুখমণ্ডলে ৰাৱণৰ মনত সুখানুভূতিৰ সৃষ্টি কৰিছিল। গতিকে—তোমাৰ প্ৰতি এতিয়া আৰু আগৰদৰে সৎবংশকুলজাতা বুলি শ্ৰদ্ধা প্ৰদৰ্শন কৰা টান। মোৰ অন্তৰত অৱশ্যে তোমাৰ প্ৰতি কোনো ভ্ৰমাত্মক ধাৰণা নাই। তথাপি, তুমি তোমাৰ য'লৈকে মন যায় গুচি যাব পাৰা। যদি মন যায়—তুমি লক্ষ্মণৰ ওচৰত আশ্ৰয় ল'ব পাৰা। নাইবা, ভৰতৰ ওচৰলৈকো যাব পাৰা। সুগ্ৰীৱৰ তাত থকাতো মোৰ ফালৰপৰা কোনো আপত্তি নেদেখোঁ। লাগিলে—আনকি বিভীষণৰ ওচৰতো থাকিব পাৰিবা। য'তেই তুমি স্বস্তি বোধ কৰিবা, তাতেই থাকাগৈ। কিন্তু মই তোমাক একোপধ্যেই আশ্ৰয় দিব নোৱাৰিম।"

কদাপি শ্ৰীৰামচন্দ্ৰৰ মুখৰপৰা এনেবোৰ বাক্য নুশুনাইঁতে এইবোৰ বাক্য শুনি অবাক মানিলে।

শ্ৰীৰামচন্দ্ৰৰ মুখ-নিঃসৃত কথাখিনি শুনি সীতাদেৱীৰ মনত উদিত হোৱা মধুৰ স্বপ্ন টুটিল। তেওঁৰ অন্তৰৰ সকলো আশা ফুটুকাৰ ফেন হ'ল। তেওঁ লজ্জাৱনত হৈ কঁপি কঁপি উচুপি থাকিল। আৰু এসময়ত তেওঁ ক্ৰন্দনৰতী হৈ পৰিল।

ওলোৱনি

হেমন্তপুৰত আছিল বিশ্বেশ্বৰৰ নাটকৰ দল। প্ৰথমৰ ফালে বহুতেই পইচা খৰচ কৰি নাটক চাইছিল, যদিও পাছত ৰাইজৰ মাজত জেপৰ ধন খৰচ কৰি নাটক চোৱাৰ আগ্ৰহ নোহোৱা হৈছিল। তেতিয়া বিশ্বেশ্বৰে 'পাৰিজাত হৰণ' নাটক লিখিছিল আৰু এইখন নাটক মঞ্চস্থ কৰাৰ কথা ভাবি কথাটো সুদৰ্শনক কৈছিল।

সুদৰ্শনে নাটকখন মঞ্চস্থ কৰাৰ ব্যয় বহন কৰিব বুলি কৈ বিশ্বেশ্বৰক ক'লে, "অহা শুকুৰবাৰেই নাটকখন মঞ্চস্থ কৰা।"

ইতিমধ্যে সুদৰ্শনে ঘোষণা কৰিলে: পাৰিজাত হৰণ' নাটক প্ৰদৰ্শন কৰা হ'ব বিনা পইচাৰে। দৰ্শকসকলে এই নাটক চোৱাৰ বাবে কোনো প্ৰবেশ মূল্য দিব নালাগে।

এই ঘোষণা শুনি দলে-দলে নাট-বলিয়া মানুহমু-নিহ আহিল। নাটকৰ প্ৰদৰ্শনো যথানিয়মেৰেই হ'ল। কিন্তু নাটক চাই ওলোৱাৰ সময়ত সুদৰ্শনৰ কৰ্মচাৰীবিলাকে দৰ্শকৰপৰা পইচা খোজাত দৰ্শকসকলে প্ৰতিবাদ কৰি ক'লে, "ই একেবাৰে দেখ দেখ অন্যায়। কোনো প্ৰবেশমূল্য নালাগে বুলি ঘোষণা কৰা হৈছিল দেখোন!"

"ওঁ তো, প্ৰবেশ-মূল্য নালাগে বুলি ঘোষণা কৰা হৈছিল ঠিকেই, আৰু—প্ৰবেশ মূল্য আমি লোৱাও নাই। এয়া হ'ল—নিষ্ক্ৰমণ-মূল্য। প্ৰবেশ-মূল্য নাই, কিন্তু ওলাবৰ মূল্য আছে।" দৰ্শকে বাধ্যত পৰি এই নিয়ম মানি লৈ ওলাবৰ সময়ত ওলোৱনি দিবলগা হ'ল।





মায়া-চিত্ৰ

সুপ্ৰাচীন কালৰ কথা। তেতিয়া ৰাজস্থানৰ সিংহাসনত মহাৰাজ জয়সিংহই ৰাজত্ব কৰিছিল। মহাৰাজ জয়সিংহ আছিল চিত্ৰপ্ৰেমী। তেওঁ যেতিয়া তেওঁৰ ৰাজকীয়-চিত্ৰকাৰৰদ্বাৰা নিজৰ চিত্ৰ অঁকাব বুলি ভাবিলে, ঠিক তেতিয়াই হঠাৎ ৰাজকীয় চিত্ৰকাৰৰ মৃত্যু হ'ল। তাৰ পাছত, বহু ধৰণে চেষ্টা-প্ৰচেষ্টা চলায়ো ৰাজ-চিত্ৰকাৰৰ শূন্য পদৰ কোনো চিত্ৰকাৰক নিযুক্ত কৰিব নোৱাৰিলে মহাৰাজে।

হিমালয় প্ৰান্তৰ এগৰাকী নামজ্বলা চিত্ৰকাৰ আছিল হেমচন্দ্ৰ। মহাৰাজ জয়সিংহৰ দৰবাৰৰ ৰাজকীয় চিত্ৰকাৰৰ পদ শূন্য হৈ থকাৰ কথা শুনি। হেমচন্দ্ৰই সেই পদ পোৱাৰ বাবে চেষ্টা কৰি চাব বুলি ভাবিলে। ভবা মতে, পাছদিনাই, উপজিপুৰাতে হেমচন্দ্ৰই জয়সিংহৰ ৰাজ্যৰ ৰাজধানীলৈ বুলি যাত্ৰা কৰিলে।

ৰাজদৰবাৰত সিংহাসনত উপৰিষ্ট মহাৰাজক যথাবিধি নমস্কাৰ কৰাৰ অন্তত চিত্ৰকাৰ হেমচন্দ্ৰই ক'লে, "মহাৰাজ! তিন দিন-তিন নিশা অভুক্ত-তৃষ্ণাৰ্ত অৱস্থাত একেৰাহে পথ-পৰিক্ৰমা কৰি আপোনাৰ দৰ্শন লাভ কৰিবলৈ সেই দূৰ হিমালয় প্ৰান্তৰপৰা আহিছোঁ মই। মই এজন চিত্ৰকৰ। এইখিনি চিত্ৰ আপোনালৈ উপহাৰ দিবলৈ মই লৈ আহিছোঁ। অনুগ্ৰহ কৰি এই চিত্ৰখিনি চাওক আৰু এজন চিত্ৰকাৰ হিচাপে মোৰ সঠিক স্থানৰ মূল্যায়ন কৰক, এয়ে মোৰ অনুৰোধ!"

হেমচন্দ্ৰই অঁকা চিত্ৰসমূহ চাই মহাৰাজ জয়সিংহ অত্যন্ত পৰিতুষ্ট হ'ল। মহাৰাজে

'ৰাজস্থানী লোক-কথা'

ক'লে, "এই চিত্ৰসমূহ অতি উচ্চ মানদণ্ড-বিশিষ্ট চিত্ৰ। এই চিত্ৰসমূহৰ বিনিময়ত মই তোমাক কি উপহাৰ দিব পাৰো?"

চিত্ৰকাৰ হেমচন্দ্ৰই ক'লে, "মহাৰাজ, মোক যদি আপুনি ইচ্ছা কৰে—আপোনাৰ দৰবাৰী-চিত্ৰকাৰৰ পদত নিযুক্তি দিয়ক।"

পাছ দিনাৰেপৰাই চিত্ৰকাৰ হেমচন্দ্ৰক ৰাজকীয় চিত্ৰকাৰৰ আসনত অধিষ্ঠিত কৰা হ'ল। মহাৰাজ জয়সিংহৰ মনত পুনৰ সেই বাসনাই উক দিলে: চিত্ৰকাৰ হেমচন্দ্ৰৰদ্বাৰা নিজৰ চিত্ৰ অঁকাব।

মহাৰাজে হেমচন্দ্ৰক কথাটো ক'লে। তেওঁ ক'লে, "ৰাজ-দৰবাৰত আমাৰ উপৰিপুৰুষসকলৰ চিত্ৰ যথাযথ ভাবে আছে। কিন্তু মোৰ কোনো চিত্ৰ ৰাজ-দৰবাৰত নাই। আমাৰ পৰৱৰ্তী পুৰুষে যাতে মোৰ চিত্ৰ দেখিবলৈ পায়—তাৰ বন্দৱস্ত কৰিব লাগে।"

মহাৰাজৰ কথাৰ উত্তৰত হেমচন্দ্ৰ চিত্ৰকাৰে ক'লে, "কেৱল আপোনাৰ চিত্ৰ নহয়, লগতে মহাৰাণীৰ, মন্ত্ৰীসকলৰ তথা ৰাজসভাৰ সদস্যবৰ্গৰো চিত্ৰ অংকণ কৰি দিম। সুদৃশ্য সুপৰিচ্ছন্ন দেৱাল এখন চিত্ৰ অংকণৰ বাবে দিয়ক, মই আপোনাৰ সম্পূৰ্ণ দৰবাৰৰ চিত্ৰ আঁকি দিম।"

এই কথাত মহাৰাজে বৰ ভাল পালে আৰু ৰাজ-দৰবাৰ দেৱাল এখন চিত্ৰাংকণৰ বাবে নিৰ্দিষ্ট কৰি দিলে।

কিন্তু মহাৰাজৰ দৰবাৰত সকলো সদস্যয়েই যে দেখাত সুশ্ৰী-সুদৃশ্য—কথা তেনেকুৱা নহয়। কিছুমান আছে যথেষ্ট ক্ষমতাশালী, কিন্তু দেখাত অতি কুৎসিৎ তথা ভয়ংকৰ। তেওঁলোকৰ মাজত কিছুমানে হেমচন্দ্ৰক ক'লেহি যে তেওঁলোকৰ মুখ সুন্দৰকৈ আঁকিব লাগিব, নহ'লে তাৰ বিষময় ফল ভুঞ্জিব লাগিব। এজনে ক'লে, "মোৰ মুখ এনেকৈ আঁকিবা, দেখাত যাতে মোতকৈ সুন্দৰ মহাৰাজো নহয়। কিন্তু—মোৰ এই গালত থকা

টেমুনা যদি আঁকিছা, বা মোক যদি কেঁৰা-চকুৰা কৰি আঁকিছা. পাছ দিনাই যে যমৰ আলহী হৈছা—সেই কথা ধুৰুপেই।"

এনেকুৱাবোৰ ডাবি-ধমকি হেমচন্দ্ৰই ভালেমানৰপৰা শুনিলে।

কথাটো মহাৰাজৰ কাণতো নপৰাকৈ নাথাকিল। তেওঁ হেমচন্দ্ৰক ক'লে, "শুনা, তুমি তোমাৰ অংকণৰ কাম যথাযথ ভাবে কৰিবা। যিজনক দেখাত যেনেকুৱা, সেইজনক তুমি ঠিক তেনেকৈয়েই আঁকিবা। অলপো ইফাল-সিফাল নকৰিব। তথাপি যদি তুমি পৰিৱৰ্তিত কৰি চিত্ৰাংকণ কৰা — তোমাক কিন্তু মই ফাঁচিৰ জৰীত ওলোমাই দিম।"

তাৰ পাছত হেমচন্দ্ৰই চিত্ৰাংকণৰ কাম আৰম্ভ কৰিলে। চিত্ৰাংকণ কৰাৰ দেৱালখন বিৰ্‌যাট পৰ্দাৰে হেমচন্দ্ৰই আঁৰ কৰি লৈছিল। নিজৰ তিনিজন সংগী-সহকাৰীৰে সৈতে হেমচন্দ্ৰ পৰ্দাৰ আঁৰত থাকিয়েই আন কোনেও নেদেখাকৈ অংকণ-কাৰ্য্য কৰি থাকিল।

চিত্ৰাংকণৰ প্ৰায় এমাহ পাৰ হ'ল। এদিন মহাৰাজে হেমচন্দ্ৰক মতাই অনাই খবৰ ল'লে—চিত্ৰাংকণ শেষ হওঁতে আৰু কিমান দিন লাগিব।

মহাৰাজৰ প্ৰশ্নৰ উত্তৰত হেমচন্দ্ৰই ক'লে যে—চিত্ৰাংকণ শেষ হোৱাৰ আৰু বৰ বেছি দিন নাই।

কিন্তু তাৰ পাছতো প্ৰায় এমাহ পাৰ হ'ল যেতিয়া—তেতিয়া মহাৰাজ জয়সিংহ অধৈৰ্য্য হৈ উঠিল আৰু কিঞ্চিত বিৰক্তি প্ৰকাশ কৰিলে।

যি কি নহওক, প্ৰায় তিনমাহৰ মূৰত —মহাৰাজ যেতিয়া প্ৰায় ক্ৰুদ্ধ হৈ উঠিল, তেতিয়া এদিন হেমচন্দ্ৰই মহাৰাজক ক'লে, "মহাৰাজ, চিত্ৰাংকণ সম্পূৰ্ণ হ'ল। কালিলৈ বৰ শুভ দিন। কালিলৈ এই মহান চিত্ৰৰ উদ্‌বোধন কাৰ্য্য সম্পন্ন কৰক—এয়ে মোৰ আন্তৰিক ইচ্ছা।"

পাছদিনা সপৰিয়াল-সপাৰিষদ মহাৰাজ জয়সিংহই অতি আনন্দিত মনেৰে বিখ্যাত দেৱালচিত্ৰ উদ্‌বোধন তথা উদ্‌ঘাটন কৰিবলৈ আহিল।

চিত্ৰকাৰ হেমচন্দ্ৰই অঁকা সেই দেৱাল-চিত্ৰ তেতিয়াও ভাঠ পৰ্দাৰে ঢাকি থোৱা হৈছিল। সেই দেৱাচিত্ৰৰ কাষলৈ কাকো যাবলৈ দিয়া নহৈছিল।

উদ্‌বোধনৰ আগতে চিত্ৰকাৰ হেমচন্দ্ৰই সদৌটিক সম্বোধি ক'লে, "মই আপোনালোকৰ সকলোটিৰ প্ৰতিকৃতি মায়া-চিত্ৰ অংকণৰ পদ্ধতিৰে অংকণ কৰিলোঁ। আপোনালোকে নিজৰ নিজৰ চিত্ৰ — ইমানবোৰ চিত্ৰৰ মাজৰপৰা উলিয়াই ল'ব—এয়ে আপোনসৱলৈ মোৰ বিনম্ৰ অনুৰোধ।" কথাখিনি কৈয়েই চিত্ৰকাৰ হেমচন্দ্ৰই সেই ভাঠ পৰ্দাখন গুচাই দিলে আৰু সেই বিৰাট আহল-বহল বিৰাট দেৱালখন এওঁলোকৰ ইমানবোৰ আগত মেল চকুৰ খাই পৰিল। দেৱালখনত চিত্ৰাংকণৰ চিন-মোকামো দেখা নগৈছিল, দেৱালখন আছিল একেবাৰে উকা।

ক্ৰুদ্ধ মহাৰাজে তৎক্ষণাৎ হেমচন্দ্ৰলৈ দেৱালখন ফঁচিব হুকুম জাৰি কৰিলে।

হেমচন্দ্ৰই হাত যোৰ কৰি ক'লে, "মহাৰাজ! মোক ফাঁচিৰ জৰীত ওলোমাই দিয়কেই। কিন্তু অনুগ্ৰহ কৰি সোণৰ জৰীত ফাঁচি নিদিয়ে যেন মোক, তেতিয়া মৰণৰ সুখৰপৰাও মই বঞ্চিত হ'ম।"

হঠাৎ—ক্ৰুদ্ধ মহাৰাজ জয়সিংহই হা-হাকৈ হাঁহি উঠিল আৰু ক'লে, "ৰাজকীয় চিত্ৰকাৰ হোৱাৰ যোগ্যতা যে তোমাৰ মাজত নাই—সেইকথা অতি পৰিষ্কাৰ। ৰঙেৰে কিবাকিবি আঁকিব পাৰিলেই চিত্ৰকাৰ নহয়, জিলিকি থাকিলেই সোণ নহয়। তুমি তোমাৰ গাধৰ পিঠিত উঠি অহাৰ দৰে সেই গাধৰ পিঠিত লঠি গুচি যোৱা। তোমাৰ মই মুক্তি দিলোঁ।"

চান্দমামাৰ সম্বাদ

শুক্রগ্রহত পানী !

আমেৰিকাৰ 'নাছা জাৰ্মছ ৰিচাৰ্চ ছেণ্টাৰ'ৰপৰা পায়োনিয়াৰ-১২ নামৰ স্যাটিলাইট অৰ্থাৎ উপগ্ৰহক শুক্রগ্রহলৈ পাঠোৱা হৈছিল। এই উপগ্ৰহটোৱে শুক্রগ্রহৰপৰা বহুতো তথ্যপাতি প্ৰেৰণ কৰাৰ অন্তত যোৱা অক্ট'বাৰ মাহত পায়োনিয়াৰ-১২ ধ্বংস হৈ গ'ল। পায়োনিয়াৰে পঠোৱা তথ্যমতে—মোটামুটি ৩ লাখ কৌটি বছৰৰ আগতে শুক্রগ্রহত মহাসাগৰ দৰেই পানী আছিল আৰু তেতিয়া কেৱল পানীয়েই নাছিল— শুক্রগ্রহত নানাবিধৰ প্ৰাণীও হেনো আছিল !

চচ্‌মা-টিভি

আজিকালি ঘৰে ঘৰে টিভি আছে। বাহিৰলৈ ওলাছে লগত লৈ যাব পৰা পোৰ্টেবল টিভিও ওলাইলে। এইবোৰ টিভি ব্যাটাৰিৰে চলোৱা হয়। মোটৰ গাড়ীত ব্যৱহাৰ কৰিব পৰা ক্ষুদ্ৰাকাৰ টিভিও ওলাল। এইবাৰ—হংগেৰিৰ হুগৰাকী এন্‌জিনিয়্যাৰে চচ্‌মাৰ ফ্ৰেমৰ লগত লগাই ল'ব পৰা অতি ক্ষুদ্ৰাকাৰ কিন্তু অতি শক্তিশালী টিভি ছে'ট উলিয়ালে। চচ্‌মাৰ কাঁচ দুখনতে এই অতি ক্ষুদ্ৰাকাৰ টিভিৰ সহায়ত টিভি-প্ৰ'গ্ৰাম তথা চিত্ৰ উপভোগ কৰিব পাৰি !

ইন্‌স্ট্যাণ্ট ফোটোগ্ৰ্যাফ !

বাতৰি-কাকতৰ ফোটোগ্ৰ্যাফাৰসকলে তেওঁলোকৰ ক্যামেৰাৰে ফোটো লয়, সেই ফিল্ম ডেভেলপ কৰি তাৰপৰা প্ৰিণ্ট কৰি, তাৰ পাছত নানান প্ৰক্ৰিয়াৰ মাজেদি বহু শ্ৰম কৰি আৰু দৌৰাদৌৰি কৰিহে ফোটো যথাস্থানলৈ পঠাব লাগে। এইবাৰ এনেবোৰ আহুকলীয়া কাণ্ডৰপৰা বাতৰিৰ ফেটো-গ্ৰ্যাফাৰসকলে ৰেহাই পালে বুলিয়েই ক'ব পাৰি। এতিয়া, তেওঁলোকে য'তেই যি ফোটো ল'ব, তেওঁলোকৰ লগত থকা ইলেকট্ৰনিক 'ৰেডিঅ' ফোন'ৰ সহায়ত স্যাটিলাইটৰ যোগেদি তাৰেপৰাই সেই মুহূৰ্ততেই পোনে পোনেই বাতৰি-কাকতৰ অফিছলৈ যেইকোনো ফোটোগ্ৰ্যাফ পঠাব পৰা হ'ব।

ন্যায়-সুৰুঙা

পুৰণি দিনৰ কথা। তেতিয়া ধৱলগিৰি ৰাজ্যত ৰজা ধৰ্মপালৰ শাসন। দান-ধৰ্ম-ন্যায়বিচাৰ আদিৰ গুণত ৰজা ধৰ্মপালৰ তুলনা নাই। বিশেষকৈ ন্যায়-বিচাৰত তেওঁৰ মাজত কোনো আপোন-পৰ নাই।

'চকুৰ সলনি চকু, দাঁতৰ সলনি দাঁত— এয়ে আছিল তেওঁৰ ন্যায়-বিচাৰৰ মূল সূত্ৰ। কোনোবাই আনৰ কিবা অনিষ্ট কৰিলে তাৰ পৰিবৰ্তে অনিষ্টকাৰীৰো যথোচিত অনিষ্ট কৰা যাব। এয়ে আছিল ৰাজ্যৰ বিচাৰ ব্যৱস্থাত প্ৰচলিত ন্যায়-সূত্ৰ।

এদিন ৰজা ধৰ্মপালৰ পৰিপূৰ্ণ ৰাজ-সভাত বহি থাকোঁতে এটা বিৰাট সাপ হঠাৎ ৰাজসভাত সোমালহি। তৰোৱাল হাতত লৈ পিতাকৰ কাষত থিয় হৈ থকা যুৱৰাজে তৰোৱালেৰে ঘপিয়াই সাপটোক দুটুকুৰা কৰি পেলালে।

দুটুকুৰা কৰি পেলালে, কিন্তু তথাপি সাপটোৱে তাৰ মূৰৰ ফালৰ টুকুৰাটোৰেই বগুৱাবাই গৈ গৈ তাৰ গাঁত পালেগৈ।

এই গাঁতটোতেই আছিল সাপটোৰ বাহ। টুকুৰা হোৱা সাপটোৱে সাপিনীক মাতিলে। সাপটোৰ কাতৰ মাত শুনি সাপিনী তৎক্ষণাৎ গাঁতৰপৰা ওলাই আহিল আৰু পতিৰ এই অৱস্থালৈ ভীত দৃষ্টিৰে চাই সুধিলে যে তাৰ এনে অৱস্থা কোনে কৰিলে।

তেতিয়া সৰ্পই তাঁৰ সৰ্পিনীক ক'লে. "মই বাট ভুল কৰি হঠাৎ ৰাজ-দৰবাৰত সোমাই পৰিছিলোঁ বুলি যুৱৰাজে মোক তৰোৱালেৰে কাটি দুছোৱা কৰি পেলালে। এই ৰাজ্যত বিচাৰৰ ন্যায়সূত্ৰৰ কথা নিশ্চয়

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

হঁত আৰু অলপ পাছত ৰাজ-পৰিয়ালৰো প্ৰায় প্ৰতিজনেই দৌৰি আহিল। কিন্তু যুৱৰাজৰ ডিঙিত লি পি টি খা ই থকা সৰ্পিনীক কোনেও মাৰিবলৈ আনকি চেষ্টাও কৰিব নোৱাৰিলে। সেই চেষ্টা স্বয়ং যুৱৰাজৰ পক্ষেই মাৰাত্মক হৈ উঠিব।

তেতিয়া সেই বিবুদ্ধিত পৰা মানুহ-বিলাকক সাপিনীয়ে ক'লে, "মহাৰাজক মাতক। এতিয়াই ন্যায়-বিচ'ৰ হ'ব লাগে। মোক কোনোবই মাৰিবলৈ চেষ্টা কৰা মাত্ৰেই মই যুৱৰাজক দংশন কৰিম।"

খবৰ পাই মহাৰাজ আহিল, তেতিয়া সাপিনীয়ে তাইৰ পতিৰ মৃত্যুৰ কথা বিবৰি ম হা ৰা জ ৰ প ৰা ন্যায়-সূত্ৰমতে সুবিচাৰলৈ দাবী জানালে। সাপিনীয়ে মহাৰাজক ক'লে, "যুৱৰাজে বিনা অপৰাধত মোৰ পতিক বধ কৰি মোক বিধৱা কৰিলে। গতিকে—এতিয়া ময়ো যুৱৰাজক বধ কৰি তেওঁৰ পৰিবাৰক বিধৱা কৰিব নোৱাৰোঁনে, মহাৰাজ?"

এই বিষয়ে বিচাৰ কৰিবলৈ মহাৰাজে দুগৰাকী বিচাৰকক ইতলা দি অনালে।

সকলো কথা ধৈৰ্য্যৰে শুনি এগৰাকী বিচাৰকে মহাৰাজক ক'লে, "মহাৰাজ! আমাৰ ৰাজ্যৰ ন্যায়-বিচাৰ—'চকুৰ সলনি চকু, দাঁতৰ সলনি দাঁত'ৰ মতে যুৱৰাজৰ

তুমিও জানা। ৰজাই নিশ্চয় মোৰ ক্ষেত্ৰতো ন্যায় বিচাৰেই কৰিব আৰু পুত্ৰকো দণ্ড দিব। এই ৰাজ্যৰ বিচাৰৰ ন্যায়-সূত্ৰ মতে তুমিও যুৱৰাজক খুটি মাৰিব পাৰিবা। তথাপি, ৰজাই আগতে বিচাৰ কৰক, পাছত তুমি যি কৰা কৰিবা।" এই বুলি কোৱাৰ অন্তত সাপটো মৰিল।

সেই নিশা সাপিনী যুৱৰাজৰ শয়ন-কক্ষত সোমাল আৰু গভীৰ নিদ্ৰাৰে আচ্ছন্ন যুৱৰাজৰ ডিঙিত মেৰিয়াই ধৰি শুই থাকিল। সাপিনীৰ শীতল স্পৰ্শত যুৱৰাজ জাগি উঠি আৰ্তনাদ কৰি উঠিল।

সেই আৰ্তনাদ শুনি লিগিৰা-লিগিৰী-

পত্নীৰ বৈধব্যলৈ দাবী কৰিব পাৰে স্বয়ং সৰ্প ইহে, সৰ্পিনীয়ে দাবী কৰিব নোৱাৰে।"

সৰ্পিনীয়ে ক'লে "এই বিচাৰ কিন্তু ন্যায়-সূত্ৰমতে নহ'ল। মোক প্ৰতাৰণা কৰিবলৈহে এনে যুক্তিজালৰ অৱতাৰণা কৰা হৈছে। মোৰ পতি সৰ্পৰ মৃত্যু হ'ল, তেনেস্থলত সৰ্পইনো মহাৰাজৰ ওচৰত কেনেকৈ এই দাবী জনাবহি?"

সেই বিচাৰকগৰাকীয়ে সাপিনীৰ এই কথাৰ কোনো উত্তৰ দিব নোৱাৰিলে।

তেতিয়া দ্বিতীয়গৰাকী বিচাৰকে ক'লে, "সৰ্পিনীৰ কথাতো যুক্তি নথকা নহয়। তথাপি, এইক্ষেত্ৰত কিঞ্চিত ধৰ্ম-সন্দেহৰ থল আছে।" তেওঁ সাপিনীক সুধিলে "আই, তোমাৰ সৰ্বমুঠ কেইটি সন্তান আছে?"

"মোৰ পাঁচটি সন্তান।" সাপিনীয়ে উচুপি উচুপি ক'লে।

এইবাৰ বিচাৰকে ডাঙৰীয়াই ক'লে, "তেনেহ'লে — ন্যায়-সূত্ৰ মতে তুমিও যুৱৰাজৰ পত্নীক 'পাঁচ সন্তানৰ জননী' হোৱৰ পাছতহে বিধৱা কৰিব পাৰিবা। অৰ্থাৎ—যুৱৰাজ পাঁচ সন্তানৰ পিতৃ নোহোৱালৈকে তুমি তেওঁৰ কোনো অনিষ্ট কৰিব নোৱাৰিবা বুজিছা নহয়? ন্যায়-সূত্ৰমতে সুবিচাৰ পালানে, আই?"

"হয়তো—এয়ে ন্যায়-সূত্ৰ।" সাপিনীয়ে সন্দেহৰ সুৰেৰে কথাষাৰ ক'লে।

তেতিয়া বিচাৰকগৰাকীয়ে ক'লে, "গতিকে—প্ৰকৃত বিচাৰৰ সুবিধা ল'বলৈ হ'লে কিছু দিনলৈ প্ৰতীক্ষা কৰিব লাগিব। কিয়নো যুৱৰাজৰ পত্নী এতিয়ালৈকে মাত্ৰ দুই সন্তানৰ জননী। তেওঁ যেতিয়া পাঁচ সন্তানৰ জননী হ'ব—একমাত্ৰ তেতিয়াহে তুমি ন্যায়-সূত্ৰৰ সুবিধা ল'ব পাৰিবা। আৰু তেতিয়ালৈকে তুমি তোমাৰ মনৰ সৰ্ব বেদনা সদা-সৰ্বক্ষণ সহি থাকিবা—এয়ে হ'ল ধৰ্মাধিকৰণৰ তথা সম্মিলিত বিচাৰমমণ্ডলীৰ ৰায়।"

এই বিচাৰ সেই ৰাজ্যৰ ন্যায়সূত্ৰমতেই কৰা হৈছিল, গতিকে— মানি লোৱাৰ বাহিৰে উপায়ো নাছিল। সাপিনীয়ে মহাৰাজক ক'লে, "যুৱৰাজ যেতিয়া পাঁচ-সন্তানৰ জনক হ'ব, তেতিয়া মোলৈ খবৰ পঠাব, মহাৰাজ!"

মহাৰাজে সাপিনীক কথা দিলে।

এই ঘটনাৰ, অৰ্থাৎ ন্যায়-সূত্ৰ মতে এই বিচাৰৰ ৰায় ঘোষণাৰ পাছৰপৰা যুৱৰাজৰ পত্নীৰ আৰু কোনো সন্তানেই নহ'ল। সাপিনীয়ে অপাৰ ধৈৰ্য্যৰে প্ৰতীক্ষা কৰি থাকিল।

যুৱৰাজ যেতিয়া পত্নীৰে সৈতে উদ্যান-বিহাৰলৈ আহিছিল, তেতিয়া বিধৱা সৰ্পিনীয়ে সদায় এইহাললৈ একমনে লক্ষ্য কৰিছিল আৰু ন্যায়-সূত্ৰমতে কেতিয়াও প্ৰতিশোধ ল'ব নোৱাৰি কেৱল হুমুনিয়াহ কাঢ়িছিল।

এইদৰে বহুদিন-বহুবছৰ পাৰ হ'ল। যুৱৰাজৰ পত্নী সেই দুই সন্তানৰ জননীয়েই হৈ থাকিল। সৰ্পিনীৰ প্ৰাণত প্ৰতিশোধৰ জুই একেদৰেই জ্বলি থাকিল। আৰু এইদৰেই, ন্যায়-সূত্ৰৰ বিচাৰ-ব্যৱস্থাৰ সুৰুঙাইদি পতিৰ হত্যাকাৰী পাৰ পাই যোৱাত—এনে বিচাৰ-ব্যৱস্থাক অভিশাপ দি থাকোঁতেই বৃদ্ধা হৈ বিচাৰৰ নামত বঞ্চিত সৰ্পিনীও এদিন মৰি থাকিল।

বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য

আমি সেউজ নহওঁ পাত কিয় সেউজ...

গছৰ পাত বা ঘাঁহ বা দুবৰি বুলিলেই আমাৰ মনত তথা দৃষ্টিতো সেউজীয়া বৰণ ফুটি উঠে। ইয়াৰ কাৰণ হ'ল 'ক্লোৰোপ্লাস্টছ' নামৰ পদাৰ্থ। ক্লোৰোপ্লাস্টছৰ মাজত আছে আন চাৰিবিধৰ পদাৰ্থ। ক্লোৰোফিল 'নীলা-সেউজীয়া' ৰঙত, ক্লোৰোফিল 'বি' — 'হালধীয়া-সেউজীয়া বৰণত, জেন্থোফিল 'হালধীয়া' ৰঙত আৰু কেৰোটিন'গুলপীয়া' ৰঙত থাকে। সেউজ সেউজ ঘাঁহ-দুবৰি আৰু গছৰ পাত ঋতুৰ সলনি হোৱাৰ লগে লগে পাতল সেউজৰপৰা ডাঠ সেউজলৈ ৰং সলায় একমাত্ৰ এইবোৰ পদাৰ্থৰ কাৰণেহে...... ।

তেজপিয়াৰ ৰং-ৰহস্য ...

চকুত বালি মাৰি শত্ৰুৰ কবলপৰা ৰক্ষা পৰিবলৈ প্ৰকৃতিয়ে কিছুমান প্ৰাণীক তথা কীট-পতংগকো কিছুখিনি বিশেষ শক্তি প্ৰদান কৰিছে। এইবোৰ প্ৰাণীয়ে প্ৰয়োজন অনুযায়ী নিজৰ দেহবৰ্ণৰ ইফাল-সিফাল কৰিব পাৰে। এইবোৰৰ মাজত তেজপিয়াৰ নাম উল্লেখযোগ্য। তেজপিায়ৰ গাৰ ছালৰ মাজত 'ক্ৰোমেটোফাৰ্স' নামৰ ৰং সলোৱাৰ শক্তি থকা বিশেষ ধৰণৰ দ্ৰব্যকণা আছে। দ্ৰব্যকণা দেখাত ক্ষুদ্ৰাতিক্ষুদ্ৰ তৰাৰ দৰে। তেজপিয়াৰ গাৰ ছালৰ তলত এই দ্ৰব্যকণা বিভিন্ন বৰণৰ হয়। ইৰঙৰ দ্ৰব্যকণাৰ সৈতে সিৰঙৰ দ্ৰব্যকণা যেতিয়া মিলেহি, তেতিয়া তেজপিয়াই ৰং সলোৱা বুলি আমি ভাবোঁ। নীলা আৰু হালধীয়া দ্ৰব্যকণাৰপৰা সেউজীয়া, ৰঙা আৰু হালধীয়াৰপৰা গুলপীয়া— এনেকৈ বিভিন্ন ৰঙৰ দ্ৰব্যকণাৰ মিশ্ৰণে তেজপিয়াক এক **'ৰং সলোৱা'** প্ৰাণীলৈ পৰ্য্যবসিত কৰিছে।

সেন্দুৰ সেন্দুৰ বগলী অ'...

কাউৰীৰ দৰে যুৰৰপৰা ভৰিলৈকে এক বৰণীয়া চৰাইৰ সংখ্যা বৰ বেছি নহয়। এনেবিধৰ চৰাইৰ মাজত ত্ৰিনিদাদৰ সেন্দূৰীয়া বগ অন্যতম। এই সেন্দূৰীয়া বগলী অতি ধুনীয়া চৰাই। ছয় কৌটি বছৰৰ আগৰ সেন্দূৰীয়া বগৰ জীবাশ্মও জীৱ-বিজ্ঞানীসকলে বিচাৰি পোৱা হৈছে। প্ৰাচীন কালৰ মিছৰদেশত এইবিধ বগলীক মানৱ-জাতিৰ বুৰঞ্জী লিখোঁতা হিচাপে গণ্য কৰা হৈছিল। এইবিধ চৰাই ওপজোঁতে কপিলা বৰণৰ হৈ ওপজে। পাছত— ৰঙৰ সলনি হৈ মটীয়া বৰণ লয়। তাৰ কিছুদিনৰ অন্তত বগা, আৰু তাৰ পাছত গুলপীয়া। তাৰ পাছত—যেতিয়া যথেষ্ট ডাঙৰ-দীঘল হয়, তেতিয়া সেন্দুৰীয়া বগলীলৈ ৰূপান্তৰিত হয়।

Your child and Coon
You just can't keep them apart.

TEDDY

A wide range of soft toys from the Chandamama Collection – each with its own unique appeal!

Every Soft Toy in the Chandamama Collection has been specially made to bring your child years of warmth and friendship.

BUNNY

- *Totally Safe – for children of any age.*
- *Durable – high quality synthetic fibre used.*
- *Washable – will not lose shape.*

And now – a surprise gift offer! With every Chandamama Soft Toy you buy. Ask your shopkeeper for a

Free Gift Coupon.

Simply fill it in and mail it to the given address. We will post you gifts that will keep your child amused and happy for hours.

Buy Now – offer open for a limited period only!

Available at all leading outlets.

JUMBO

FOXY

THE

CHANDAMAMA

COLLECTION

ARTIG/CT/1121

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৩ চনৰ ছেপটেমবাৰ সংখ্যাত প্ৰকাশিত হ'ব ।

M. Natarajan

T.C. Jain

* ফটো-নামকৰণ দুই-তিনটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯৩ চনৰ জুলাই মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৩ চনৰ মে' মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : খেলিবা ৰঙতে সাঁতুৰি-নাদুৰি দ্বিতীয় ফটো : নাথাকা মিছাতে মনটি মাৰি

পুৰস্কাৰ প্ৰাপক : প্ৰণীতা দাস, প্ৰযত্নে : ৰাজ্যিক পশু চিকিৎসালয়, ধুবুৰী—৭৮৩৩০১।

ভাৰতত বছৰেকীয়া বৰঙণি **চা ন্দ মা মা** ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are the exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

“চকচকীয়া নিপ, আকাৰত দীপলীপ
হমৱৰ্ক কৰাত মোৰ কেমলিন তীখৰজিং !”

আমাৰ কনমান পাশাৰ ৰহস্য — কেমলিন
ফাউন্টেইন পেন । ইহঁতৰ উৎকৃষ্ট নিপৰ
জোৰত লিখিব পাৰি সলসলীয়াকৈ —
খৰটকীয়াকৈ । গতিকেই আমাৰ কনমানি
পাশাই হমৱৰ্ক কৰিব পাৰিব টিপিকতে ।
আৰু খেলাৰ বাবে সময়েই সময় !

camlin

পলে পলে লগা সংগী ।

Contract.CL.922.93.As

TERRRRIFIC
YOU'LL SIMPLY LOVE THE FRUIT IN IT
Soft Hearts
FREE!
Send 20 Nutrine Soft Hearts wrappers for a FREE Bunny mask* to Nutrine Confectionery Co. Ltd., No. 7, 17th Avenue, Harrington Road, Madras 600 031.
nutrine
The widest smile
nutrine
Soft Hearts
JUICY, CRUNCHY, FRUITY, TREATS
* Stocks also available without this offer.